অধ্যায় ৪ ঃ *সাতসৰী অসম বুৰঞ্জী* (প্ৰথম আৰু দ্বিতীয় বুৰঞ্জী)

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য

৪.২ পৰিচয়

৪.৩ অসমীয়া বুৰঞ্জী সাহিত্য ঃ চমু পৰিচয়

৪.৪ *সাতসৰী অসম বুৰঞ্জী* ঃ চমু পৰিচয়

৪.৫ *সাতসৰী অসম বুৰঞ্জী*ৰ বিশেষত্বসমূহ

৪.৬ *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত প্ৰথমখন বুৰঞ্জী

- ৪.৬.১ প্ৰথমখন বুৰঞ্জীৰ বিষয়বস্তু
- ৪.৬.২ প্ৰথমখন বুৰঞ্জীৰ গদ্যৰীতি
- ৪.৬.৩ সমসাময়িক আহোম ৰাজনীতি আৰু অসমীয়া সমাজ প্ৰেক্ষাপটত বুৰঞ্জীখনৰ ভূমিকা

৪.৭ *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত দ্বিতীয়খন বুৰঞ্জী

- ৪.৭.১ দ্বিতীয়খন বুৰঞ্জীৰ বিষয়বস্তু
- ৪.৭.২ দ্বিতীয়খন বুৰঞ্জীৰ গদ্যৰীতি
- ৪.৭.৩ সমসাময়িক আহোম ৰাজনীতি আৰু অসমীয়া সমাজ প্ৰেক্ষাপটত বুৰঞ্জীখনৰ ভূমিকা

৪.৮ অসমীয়া বুৰঞ্জী সাহিত্যত *সাতসৰী অসম বুৰঞ্জী*ৰ স্থান

৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৪.১০ অধিক জানিবলৈ

৪.১১ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

৪.১২ আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমীয়া বুৰঞ্জী সাহিত্যৰ এটি পৰিচয় লাভ কৰিব পাৰিব
- *সাতসৰী অসম বুৰঞ্জী* কি ? —তাৰ এটি ধাৰণা লাভ কৰিব পাৰিব।
- অসমীয়া বুৰঞ্জীৰ গদ্যৰ আধাৰত *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত প্ৰথম আৰু দ্বিতীয়খন বুৰঞ্জীৰ গদ্যৰ বিশেষত্বসমূহৰ পৰিচয় লাভ কৰিব পাৰিব
- *সাতসৰী অসম বুৰঞ্জী*ৰ সামগ্ৰিক বিশেষত্বসমূহৰ বিষয়েও অৱগত হ'ব পাৰিব
- অসমীয়া বুৰঞ্জী সাহিত্যৰ গদ্যত *সাতসৰী অসম বুৰঞ্জী*ৰ স্থান নিৰ্ণয় কৰিব পাৰিব

- লগতে সমসাময়িক সামাজিক প্ৰেক্ষাপটত আহোম ৰজাঘৰীয়া ৰাজনীতিৰ বিভিন্ন দিশৰ বিশয়েও জ্ঞাত হ'ব পাৰিব।

৪.২ পৰিচয়

স্নাতকোত্তৰ অসমীয়া তৃতীয় যান্মাসিকৰ এইখন ঐচ্ছিক পাঠ্যবিষয় 'অসমীয়া গদ্য সাহিত্য' ৰ এইটো চতুৰ্থ অধ্যায়। 'বুৰঞ্জী' বা 'বুৰঞ্জী সাহিত্য'ক আহোমসকলৰ বিভিন্ন অৱদানৰ ভিতৰত অন্যতম শ্ৰেষ্ঠ অৱদান বুলি কোৱা হয়। 1228 খ্ৰীঃত চুকাফাৰ নেতৃত্বত মৰাণ আৰু বৰাহীসকলক পৰাজিত কৰি অসমৰ দক্ষিণ-পূবেদি প্ৰৱেশ কৰি আহোমসকলে প্ৰথমতে চৰাইদেউতে ৰাজধানী পাতে। ৰাজধানী স্থাপনৰ প্ৰথমৰ তিনিশ বছৰত কছাৰী আৰু চুটিয়াসকলৰ সৈতে যুদ্ধ জিনি আহোম ৰাজত্ব কলঙৰ মুখলৈকে বঢ়াই নিবলৈ সক্ষম হয়। তেতিয়াই আহোম ৰাজধানীও চৰাইদেউৰ পৰা গড়গাঁৱলৈ উঠি যায়। এই আহোমসকলেই অসমত আহোম ৰাজ্য প্ৰতিষ্ঠা আৰু ৰাজশাসনৰ সমান্তৰালভাৱে চুকাফাই লগত লৈ অহা পণ্ডিতক বুৰঞ্জী লিখিবলৈ নিৰ্দেশ আৰু পণ্ডিতসকলেও চুকাফাৰ সেই নিৰ্দেশ পালন কৰাৰ লগে লগে অসমে আহোম শাসনৰ যোগেদি 'বুৰঞ্জী' নামৰ অভিধাটোৰ সৈতে পৰিচিত হয়। অৱশ্যে আৰম্ভণিৰ প্ৰায় তিনিশ বছৰ মানলৈকে তেওঁলোকৰ নিজা টাই ভাষাতে বুৰঞ্জী লিখিছিল। কিন্তু সময়ৰ লগে লগে আহোমসকলে পৰিস্থিতি সাপেক্ষে অসমীয়া ভাষা আৰু প্ৰচলিত হিন্দু ধৰ্ম গ্ৰহণ কৰাত বুৰঞ্জীৰ ভাষালৈও পৰিৱৰ্তন নামি আহে। অৰ্থাৎ ব্যাপক হাৰত অসমীয়া ভাষাতেই বুৰঞ্জী ৰচনা হ'বলৈ ধৰে। কিন্তু এইখিনিতে এটা কথা স্পষ্টকৈ কৈ থোৱা ভাল যে প্ৰকৃততে অসমীয়া ভাষাত চন চাৰিখৰ হিচাপত কেতিয়াৰ পৰা বুৰঞ্জী লিখাৰ পৰম্পৰা আৰম্ভ হ'ল সেয়া কোৱা টান। কোনোৱে অসমীয়াত বুৰঞ্জী লিখাৰ প্ৰকৃত সময় হিচাপে সপ্তদশ শতিকা ঠাৰৰ কৰিলেও লীলা গগৈয়ে এই কাল যথাৰ্থতে ষোড়শ শতিকাৰ আগভাগ বুলিহে উল্লেখ কৰিছে। এইখিনিতে আকৌ আন এটা কথা উনুকিয়াই থোৱাতো সমীচীন হ'ব যে ষোড়শ শতিকাৰ আগছোৱা সময়ৰ পৰা ঊনবিংশ শতিকাৰ প্ৰায় ষষ্ঠ দশক পৰ্যন্ত এই দীঘলীয়া সময়ছোৱাত অসমীয়া ভাষাত বুৰঞ্জী লিখাৰ ধাৰা চলি আছিল যদিও সমান্তৰালভাৱে টাই ভাষাতো দুই-এখন বুৰঞ্জী ৰচিত হৈ আছিল। গতিকে বুৰঞ্জীৰ ভাষা বুলিলে টাই আৰু অসমীয়া দুয়োটাকে আঙুলিয়াব লাগিব। উল্লেখযোগ্য যে বুৰঞ্জীসমূহ যি দৰে টাই আৰু অসমীয়া ভাষাত ৰচিত হৈছিল সেই দৰে গদ্য আৰু পদ্য এই দুই মাধ্যমতো বুৰঞ্জীসমূহ ৰচিত হৈছিল।

সংখ্যাগত পিনৰ পৰা চালে আহোম যুগৰ বুৰঞ্জীৰ সংখ্যা হেজাৰৰ হিচাপত পোৱা গ'লেও অনুসন্ধানকাৰীসকলৰ হিচাপত বৰ্তমান প্ৰায় ডেৰশমান বুৰঞ্জীৰ অস্তিত্বহে আছে। ইয়াৰো আকৌ কিছুমান অপ্ৰকাশিত ৰূপতে আজিও পৰি আছে। আমাক পাঠ্য হিচাপে পঢ়িবলৈ দিয়া *সাতসৰী অসম বুৰঞ্জী* এখন প্ৰকাশিত বুৰঞ্জী পুথি। বুৰঞ্জীবিদ ৰায় বাহাদুৰ সূৰ্য্য কুমাৰ ভূঞাৰ সম্পাদনাত আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা 1960 চনত এইখন বুৰঞ্জীয়ে প্ৰথম প্ৰকাশ লাভ কৰে। সাতখন বুৰঞ্জীৰ একত্ৰ ৰূপৰ সমষ্টি *সাতসৰী অসম বুৰঞ্জী* হিচাপে

পৰিচিত বুৰঞ্জীখন এখন কেৱল নামৰ স্বাৰ্থত বা বৈচিত্র্যত গঢ়ি উঠা বুৰঞ্জী নহয়, বৰং ই মধ্যযুগীয়া অসমীয়া গদ্যৰ অপূৰ্ণ চানেকি বহন কৰি থকাৰ উপৰিও ৰাজ প্ৰশাসনৰ কাম-কাজ আৰু সেই সময়ৰ অৰ্থাৎ সমসাময়িক সামাজিক জীৱনশৈলীৰ প্ৰতিফলন ঘটা এখন দলিল স্বৰূপ। গতিকে অসমীয়া সাহিত্যৰ বুৰঞ্জীত *সাতসৰী অসম বুৰঞ্জী*ৰ এটা স্বকীয় পৰিচয় সদায় আছে। আমি এই অধ্যায়ত *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত প্ৰথম আৰু দ্বিতীয়খন বুৰঞ্জীৰ আধাৰত ওপৰত উল্লিখিত সমূহ বিষয়ৰ পৰ্যালোচনাৰ লগতে 'অসমীয়া বুৰঞ্জী সাহিত্য'ৰ এটি সামগ্ৰিক পৰিচয় দাঙি ধৰাৰো যত্ন কৰা হ'ব।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ লীলা গগৈৰ মতে অসমীয়া ভাষাত যথাৰ্থতে কেতিয়াৰ পৰা বুৰঞ্জী লিখাৰ পৰম্পৰা আৰম্ভ হয়?

৪.৩ অসমীয়া বুৰঞ্জী সাহিত্য ঃ চমু পৰিচয়

অসমীয়া সাহিত্যৰ বুৰঞ্জীত মধ্য যুগ হিচাপে পৰিচিহ্নিত যুগটো আন বহু দিশৰ দৰে নতুন সাহিত্য সম্পদ সৃষ্টিৰ ক্ষেত্ৰতো বিশেষত্বপূৰ্ণ যুগ। তাৰে ভিতৰত *চৰিত পুথি* আৰু *বুৰঞ্জী সাহিত্য*ৰ সৃষ্টি এই যুগৰ সৰ্বশ্ৰেষ্ঠ সৃষ্টি বুলি ধৰি লোৱাত চাগে কাৰো দ্বিমত নাই। ক'বলৈ গ'লে এই দুই সাহিত্য সম্পদে সমগ্ৰ মধ্য যুগটোক সমৃদ্ধ কৰি ৰাখিছে। বিশেষকৈ অসমীয়া গদ্য সাহিত্যৰ গতিধাৰাত এই দুই সাহিত্য সম্পদৰ অৱদান আন কাৰোৰে সৈতে তুলনা নহয় বুলি ক'লেও নিশ্চয় বঢ়াই কোৱা নহ'ব। সেয়েহে এই দুই সাহিত্য সম্পদক আধুনিক অসমীয়া গদ্যৰ ইতিহাস বহনকাৰী সাহিত্য বুলি ক'ব পাৰি। তদুপৰি *চৰিত পুথি*আৰু *বুৰঞ্জী সাহিত্য* ৰাজনৈতিক আৰু সমসাময়িক সমাজৰ প্ৰতিচ্ছবি প্ৰতিফলনৰো ইতিহাস বুলিব পাৰি। সেই ফালৰ পৰা অসমীয়া সাহিত্যত এফালে *চৰিত পুথি*, আনফালে *বুৰঞ্জী সাহিত্য*ৰ সুকীয়া আসন সদায় বিৰাজমান যে হৈ থাকিব তাত সন্দেহ নাই।

আমি এই অধ্যায়ৰ 'পৰিচয়' অংশতে কৈ আহিছোঁ যে *বুৰঞ্জী সাহিত্য* আহোমসকলৰ বিভিন্ন অৱদানৰ ভিতৰত সৰ্বশ্ৰেষ্ঠ দান। লগতে আমি ইয়াকো অৱগত কৰি আহিছোঁ যে আহোমসকলেই হৈছে অসমত প্ৰথম 'বুৰঞ্জী' ৰচনাৰ ইতিহাস সৃষ্টিকাৰী জাতি। কাৰণ আহোমসকলে এই পৰম্পৰা আৰম্ভ কৰাৰ পূৰ্বে অসমত কোনো ধৰণৰ বুৰঞ্জী ৰচিত হোৱাৰ প্ৰমাণ নাই। বুৰঞ্জীৰ নামত আছিল কেৱল ৰজাসকলে ভূমিদান কৰা কেতবোৰ ফলি অথবা ৰাজ প্ৰশস্তিমূলক ৰচনাসমূহ। এইবোৰত যিহেতু প্ৰকৃত বুৰঞ্জীৰ চৰিত্ৰ অনুপস্থিত, গতিকে যিবোৰক বুৰঞ্জী বোলাৰো যুক্তি নাই। গতিকে অসমত আহোমৰ ৰাজ শাসনৰ লগে লগে অসমত বুৰঞ্জী লিখাৰ ইতিহাস সূচিত হয়। যি ইতিহাসে ক'বলৈ গ'লে অসমীয়া জাতি আৰু অসমীয়া সাহিত্যক গৌৰৱান্বিত কৰি ৰাখিছে। এই প্ৰসঙ্গত ভাষাতত্ত্ববিদ গ্ৰীয়াৰ্ছন চাহাবৰ *Linguistic Survey of*

*India*ত (Vol. 1, Part 1, p. 156) কৰা এটি মন্তব্য প্ৰণিধানযোগ্য। তেওঁ কৈছে— "The Assamese are justly proud of their nation literature. In no department have they been more successful than in a branch study in which India, as a rules is curiously deficient. The historical works or Buranjis are numerous and voluminous. A knowledge of the Buranjis was an indespensable qualification to an Assamese gentlement."

বুৰঞ্জী লিখাৰ পৰম্পৰা আহোমসকলৰ জাতিগত পৰম্পৰা,হঠাতে লোৱা সিদ্ধান্ত নহয়। চুকাফাই শত্রু জিনি অসম প্ৰৱেশ কৰাৰ লগে লগে বাটত লাভ কৰা অভিজ্ঞতা আৰু সকলো ঘটনা লিপিবদ্ধ কৰি যাবলৈ মহন বাইলুঙক নিৰ্দেশতে অসমত বুৰঞ্জী লিখা প্ৰথাৰ শুভাৰম্ভণি ঘটে। ইয়াৰ পৰা এইটো স্পষ্ট হৈ পৰে যে বুৰঞ্জী লিখাপ্ৰথাটো আহোমসকলে তেওঁলোকৰ জন্ম স্থান থাইলেণ্ডৰ পৰাই অসমলৈ আহিছিল। যাৰ সৃষ্টিয়ে তেওঁলোকৰ বংশ তথা জাতিৰ ঐতিহ্য আৰু সন্মান বঢ়োৱাত অৰিহণা যোগায় বুলি পূৰ্বাপৰভাৱে বিশ্বাস কৰি আহিছে। গতিকে ঠাই সলনি হ'লেও পৰম্পৰা সলনি নকৰি তাৰ স্বাৰ্থত মনোনিৱেশ কৰিছিল। যি মনোনিৱেশৰ ফলশ্রুতিত অসমীয়া বা ভাৰতীয় সাহিত্য কিয়, বিশ্ব সাহিত্যৰ ওচৰতো গৌৰৱান্বিত।

এইখিনিতে এটা কথা কৈ থোৱা ভাল যে আহোমৰ নেতৃত্বত বুৰঞ্জী লিখা প্ৰথা ত্রয়োদশ শতিকাতে অৰ্থাৎ আহোমসকল অসম প্ৰৱেশৰ সময়তে আৰম্ভ হৈছিল যদিও ষোড়শ শতিকামানৰ পৰাহে আচলতে অসমীয়া ভাষাত লিখা ৰীতি আৰম্ভ হয়। অৱশ্যে অষ্টাদশ শতিকাৰ কালছোৱাতহে অসমীয়া ভাষাত লিখা অধিকাংশ বুৰঞ্জীৰ প্ৰমাণ পোৱা যায়। অৰ্থাৎ আৰম্ভণিৰ প্ৰায় তিনিশটামান বছৰত লিখা প্ৰতিখন বুৰঞ্জীয়েই টাই ভাষাত লিখা। কিন্তু যেতিয়াই তেওঁলোকে অসমীয়া ভাষা আৰু সংস্কৃতিৰ সৈতে প্ৰকাত্ম হৈ পৰিল তেতিয়াই বুৰঞ্জীৰ ভাষালৈও পৰিৱৰ্তন আহিল। ক'বলৈ গ'লে এই বুৰঞ্জীসমূহেই দৰাচলতে সেই সময়ৰ ৰাজনৈতিক আৰু সামাজিক দিশৰ প্ৰতিফলন ঘটা তথ্য নিৰ্ভৰ তথা নিৰ্ভৰযোগ্য উৎস; যদিওবা আধুনিক অৰ্থত বুৰঞ্জীবোৰ বিজ্ঞানসন্মত ইতিহাস বুলিব নোৱাৰি। কিন্তু এইটোও কোৱা বাহুল্য যে ঐতিহাসিক আৰু সামাজিক প্ৰেক্ষপটত বুৰঞ্জী-সমূহতকৈ সমল সংগ্রহৰ ক্ষেত্রত আন কোনো নিৰ্ভৰযোগ্য উৎস নিশ্চয় নাই। যি সমলে সত্যনিষ্ঠতাৰো বাট মুকলি কৰি দিয়ে। এই ক্ষেত্রত সূৰ্য্য কুমাৰ ভূঞাই তেওঁৰ দ্বাৰা সম্পাদিত *সাতসৰী অসম বুৰঞ্জী*ৰ 'সম্পাদকৰ পাতনি'ত কোৱা কথা আষাৰলৈ মন কৰিবলগীয়া। তেওঁ কৈছে— "...আগৰ দিনৰ অসমীয়াৰ ভাব-ধাৰা, কাৰ্য্য-কামৰ, উপায়-পদ্ধতি এই বুৰঞ্জীবোৰত সংৰক্ষিত হৈছে। কালৰ সোঁতত অসমীয়া জাতিৰ বৈশিষ্ট্য লোপ পোৱাৰ আগন্তুক হ'লে এই বুৰঞ্জীৰ মহামূল্য সম্পদে তাক পুনৰসঞ্জীৱিত কৰাৰ সম্বল যোগাব।"গতিকে সূৰ্য্য কুমাৰভূঞাৰ বুৰঞ্জী সম্পৰ্কত আগবঢ়োৱা মন্তব্যৰ আঁত ধৰি ক'ব পাৰি যে বুৰঞ্জীবোৰ কেৱল ৰজা-মহাৰজাৰ প্ৰশাসনিক কাম-কাজ, অথবা যুদ্ধ-বিগ্রহৰে বৰ্ণনা ক্ষেত্র নহয়, বৰং বুৰঞ্জীবোৰ জাতিৰবৈশিষ্ট্য বহনকাৰী এটি আপুৰুগীয়া সম্পদ। লীলা গগৈয়েও *বুৰঞ্জী সাহিত্য* গ্রন্থত বুৰঞ্জী সাহিত্যৰ যি তিনিটা তাৎপৰ্যপূৰ্ণ দিশ আঙুলিয়াই দিছে তাৰে এটা অন্যতম তাৎপৰ্য সূৰ্য্য কুমাৰ ভূঞাৰ উপৰোক্ত মন্তব্যৰ প্ৰায় সমাৰ্থক। সেই তাৎপৰ্যটো

হ'ল বুৰঞ্জীত সমসাময়িক জনজীৱনৰ বৰ্ণাঢ্য বৰ্ণনাৰ সমাৱেশ ঘটা দেখা যায়। তেওঁৰ দৃষ্টিত আন দুটা তাৎপৰ্য যথাক্ৰমে বুৰঞ্জী আধুনিক ভাৰতীয় ভাষাৰ ভিতৰতে একক আৰু অতুলনীয় আৰু আনটোই আহোম ৰাজ্যৰসাধাৰণ মানুহৰ মুখৰ মাত-কথা আৰু ৰাজচ'ৰাৰ শাসকীয় ভাষাৰ চানেকি।ইয়াৰ পৰাই বুৰঞ্জীসমূহৰ সৈতে সমাজৰ সম্পৰ্ক কিমান অনুধাৱন কৰিব পৰা যায়।

বুৰঞ্জী সাহিত্য অধ্যয়নৰ ক্ষেত্ৰত আন কেইটামান দিশৰ আলোচনা অতীব প্ৰয়োজনীয়। সেই দিশসমূহৰ ভিতৰত বুৰঞ্জী ৰচনা পৃষ্ঠপোষকতা, বৈশিষ্ট্য আৰু বুৰঞ্জী সাহিত্যৰ শ্ৰেণী বিভাজন। তলত এই তিনিওটা দিশৰ এটি সামগ্ৰিক আলোচনা কৰাৰ চেষ্টা কৰা হ'ল।

- **বুৰঞ্জী ৰচনাৰ পৃষ্ঠপোষকতা ঃ** বুৰঞ্জী বা বুৰঞ্জী সাহিত্য যদিও আহোমসকলৰ পোনপটীয়া আমোলত বা পৃষ্ঠপোষকতাত ৰচনা কৰা তথাপি ইয়াৰ উদ্যোগিক ক্ষেত্ৰ কিন্তু দুটা। এটা ৰজাঘৰীয়া উদ্যোগ আৰু আনটো ব্যক্তিগত উদ্যোগ। অৰ্থাৎ ৰজাঘৰীয়া আৰু ব্যক্তিগত দুয়োটা উদ্যোগতে বুৰঞ্জী ৰচনা হৈছিল। কিন্তু ব্যক্তিগত উদ্যোগত ৰচিত বুৰঞ্জীতকৈ ৰজঘাৰীয়া উদ্যোগত ৰচিত আৰু গন্ধীয়া ভঁৰালত সংৰক্ষিত বুৰঞ্জীবোৰ তথ্যপাতিৰ পিনৰ পৰা একান্তই নিৰ্ভৰযোগ্য। ইয়াত পক্ষপাতিতা অথবা অতিৰঞ্জন বৰ্ণনাৰ সম্ভাৱনীয়তা যথেষ্ট কম। একমাত্ৰ ৰজাঘৰীয়া প্ৰত্যক্ষ পৃষ্ঠপোষকতাৰ বাবে এনে সুবিধা ৰজাঘৰীয়া উদ্যোগত ৰচিত বুৰঞ্জীসমূহত দেখিবলৈ পোৱা নাযায়। কিন্তু ব্যক্তিগত উদ্যোগত ৰচিত বুৰঞ্জীবোৰত ৰজাঘৰীয়াৰ প্ৰত্যক্ষ দৃষ্টিৰ পৰা আঁতৰত থকা হেতুকে পক্ষপাতিতা আৰু অতিৰঞ্জন গুণ থাকিব পাৰে। তদুপৰি নকল পদ্ধতিৰে একেখন বুৰঞ্জীকে ইজনৰ পিছত সিজনে প্ৰতিলিপি কৰাত মূল ঘটনা অব্যাহত ৰাখিলেও আনুষঙ্গিক বহু বৰ্ণনাই সলনি হৈ পৰাৰ সম্ভাৱনা প্ৰবল। তদুপৰি বুৰঞ্জীবোৰ যিহেতু একাংশ লেখকৰ সমসাময়িক ঘটনা প্ৰৱাহৰ বিৱৰণ, সেয়েহে বুৰঞ্জীবোৰ প্ৰতিখনেই আন এখনৰ অনুপূৰক আৰু পৰিপূৰক। অৰ্থাৎ এখনে আনখনক সমালোচনা কৰাতকৈ এখন আনখনৰ ওপৰত নিৰ্ভৰশীলহে বুলিব পাৰি।



জানি থোৱা ভাল

গন্ধীয়া ভঁৰাল ঃ গন্ধীয়া ভঁৰালত ৰজাঘৰীয়া চিঠি-পত্ৰ, সন্ধি-বিগ্ৰহৰ কাকত, বিচাৰৰ ৰায়দানৰ কাকত, কটকী-বৈৰাগীৰ প্ৰতিবেদন, দাঁতি-অলীয়া গোহাঁই আৰু চকীয়ালৰ প্ৰতিবেদনৰ টোকা আৰু পুৰণি বুৰঞ্জীসমূহ যত্নৰে সংৰক্ষণ কৰা হৈছিল। এই ভঁৰালৰ দায়িত্ব দিয়া হৈছিল গন্দীয়া ফুকন আৰু গন্ধীয়া বৰুৱা নামৰ দুজন দায়িত্বশীল বিষয়াক। সেয়েহে এই ভঁৰালৰ নাম গন্ধীয়া ভঁৰাল।

- **বুৰঞ্জী সাহিত্যৰ বৈশিষ্ট্য ঃ** সৃষ্টিশীল প্ৰতিটো বস্তুৰে কেতবোৰ বৈশিষ্ট্য থকাৰ দৰে বুৰঞ্জী সাহিত্যৰো কিছুমান বৈশিষ্ট্য দেখিবলৈ পোৱা যায়। বুৰঞ্জী সাহিত্যৰ এনে কিছুমান বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল—

ক) বুৰঞ্জীবোৰ ৰাজনৈতিক ঘটনা প্ৰবাহৰ বৰ্ণনা ক্ষেত্ৰ। ইয়াত ৰাজশাসন, ৰজাঘৰৰ বাহিৰে-ভিতৰে ঘটা ঘটনাৰ বিৱৰণ, ডা-ডাঙৰীয়াৰ অৰীয়া-অৰি তথা দ্বন্দ্ব-খৰিয়াল, ৰজা আৰু প্ৰজাৰ সম্পৰ্ক তথা যুদ্ধ-বিগ্ৰহৰ বৰ্ণনা পোৱা যায়।

খ) সত্যনিষ্ঠতা বুৰঞ্জী সাহিত্যৰ আন এটা বৈশিষ্ট্য। প্ৰায় প্ৰতিগৰাকী বুৰঞ্জী ৰচোঁতাই বিশেষকৈ প্ৰত্যক্ষ ৰাজঘৰীয়া পৃষ্ঠপোষকতাত ৰচিত বুৰঞ্জী ৰচোঁতাসকলে এক প্ৰকাৰ নৈৰ্ব্যক্তিক নিৰপেক্ষতা বজাই ৰখা বুলি ক'ব পাৰি।

গ) বুৰঞ্জীসমূহ এখন আনখনৰ ওপৰত নিৰ্ভৰশীল।

ঘ) ঘটনাৰ বিৱৰণত প্ৰায় দিন-বাৰ, চন-তাৰিখ আনকি বহু সময়ত দণ্ড-প্ৰহৰ পৰ্যন্ত উল্লেখ কৰা দেখা যায়।

ঙ) বুৰঞ্জীত প্ৰতিফলিত বিষয়বস্তু সমসাময়িক সমাজ আৰু সমাজৰ জীয়া মানুহৰ কাহিনী বুলিব পাৰি।

চ) সৰল বাক্‌ভঙ্গী বুৰঞ্জী সাহিত্যৰ আন এটি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। অৰ্থাৎ ৰাজকীয় ভাষাশৈলীৰ উপৰিও প্ৰজাসাধাৰণৰ সৰল কথা ভাষাইয়ো বুৰঞ্জীৰ ভাষাত ঠাই পাইছে।

ছ) আঙ্গিকৰ দিশেৰে বুৰঞ্জীবোৰ বিশুদ্ধ সাহিত্য নহ'লেও মানৱীয় অনুভূতি প্ৰকাশৰ বেলিকা প্ৰতিজন বুৰঞ্জী ৰচোঁতাই উপকথা অথবা প্ৰবাদ-প্ৰবচনেৰে বৰ্ণনা ৰসাল কৰিবলৈ চেষ্টা কৰাত বুৰঞ্জীসমূহলৈ কিঞ্চিৎ হ'লেও সাহিত্যিক গুণ নামি অহা বুলি ক'ব পাৰি।

জ) আড়ম্বৰপূৰ্ণ দীঘলীয়া বাক্যৰ পৰিৱৰ্তে অনাড়ম্বৰ চুটি বাক্যৰ প্ৰয়োগ বুৰঞ্জীৰ ভাষাৰ প্ৰধান দিশ। য'ত লেখকৰ বক্তব্য সুন্দৰভাৱে উপস্থাপিত হয়।

ঝ) প্ৰত্যক্ষ উক্তি-প্ৰত্যুক্তি বুৰঞ্জীসমূহৰ আন এটা মন কৰিবলগীয়া বিশেষত্ব। অৰ্থাৎ বিভিন্ন ৰাজনৈতিক ঘটনাৰ লগত জড়িত ব্যক্তিসমূহৰ বক্তব্য বা উক্তি-প্ৰত্যুক্তিসমূহ হুবহু প্ৰয়োগ কৰি বৰ্ণনীয় বিষয়ক নাটকীয় কৰি তোলা হয়।

ঞ) আৰবী-ফাৰ্চী আদি ভাষাৰ শব্দৰ প্ৰয়োগ বুৰঞ্জীসমূহত পৰিলক্ষিত হোৱা বিভিন্ন বৈশিষ্ট্যৰ ভিতৰত অন্যতম। বিশেষকৈ চিঠি-পত্ৰ, নবাব-বাদশাহৰ বিৱৰণৰ বেলিকা আৰু বিভিন্ন বস্তু নামোল্লেখৰ সময়ত প্ৰচুৰ পৰিমাণে আৰবী-ফাৰ্চী শব্দৰ প্ৰয়োগ দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ঃ "বুৰঞ্জীৰ ৰচনা পদ্ধতিত ব্যক্তি-নিৰপেক্ষতা দেখিবলৈ পোৱা যায়।" —কথাষাৰ সঁচানে?



চিন্তা-চৰ্চা কৰক - ৪.১

বুৰঞ্জী সাহিত্যৰ সাধাৰণ বৈশিষ্ট্যবোৰ উল্লেখ কৰক।

- **বুৰঞ্জী সাহিত্যৰ শ্ৰেণী বিভাজন ঃ** এতিয়ালৈকে উদ্ধাৰ হোৱা আহোম যুগৰ বিভিন্ন বুৰঞ্জীৰ বিষয়বস্তুৰ ওপৰত ভিত্তি কৰি বুৰঞ্জী সাহিত্যৰ বিশেষজ্ঞ পণ্ডিত আৰু অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰসকলে তেওঁলোকৰ নিজস্ব দৃষ্টিভঙ্গীৰে বুৰঞ্জী সাহিত্যক বিভিন্ন শ্ৰেণীত ভাগ কৰি দেখুৱাইছে। কেইজনমান পণ্ডিতৰ শ্ৰেণী বিভাজন তলত দিয়া হ'ল— লীলা গগৈৰ শ্ৰেণী বিভাজন এনেকুৱা—

  ক) প্ৰাক্-আহোম যুগৰ বুৰঞ্জী
  খ) আহোম যুগৰ বা আহোম ৰজাৰ বুৰঞ্জী
  গ) দাঁতিঅলীয়া বুৰঞ্জী
  ঘ) অন্য ৰাজ্যৰ বুৰঞ্জী
  ঙ) কটকী বুৰঞ্জী
  চ) চকীয়ালৰ বুৰঞ্জী আৰু
  ছ) চাং-ৰুং ফুকনৰ বুৰঞ্জী

  প্ৰাচীন কামৰূপৰ ৰজাৰ বংশ পৰম্পৰাৰ লিখিত ৰূপৰ ভিত্তি কৰি আহোম যুগৰ বুৰঞ্জীকাৰে সৃষ্টি কৰা বুৰঞ্জীয়েই প্ৰাক্-আহোম যুগৰ বুৰঞ্জী। আহোম ৰজাঘৰীয়াৰ প্ৰত্যক্ষ অথবা পৰোক্ষ উদ্যোগত আহোম ৰাজশাসনৰ বিভিন্ন দিশ সামৰি ৰচিত বুৰঞ্জীয়ে হৈছে আহোম যুগৰ বুৰঞ্জী। আহোম ৰাজ্যৰ দাঁতিকাষৰীয়া অঞ্চলৰ (কোচ, কছাৰী, চুতীয়া, জয়ন্তীয়া আদি) সৈতে হোৱা যুদ্ধ-বিগ্ৰহ আৰু সম্বন্ধৰ বিষয়বস্তুৰে ৰচিত বুৰঞ্জীক দাঁতিঅলীয়া বুৰঞ্জী বোলা হৈছে। দাঁতিকাষৰীয়া অঞ্চলৰ বাহিৰেও আন ৰাজ্যৰ বিষয়ে কটকীৰ মুখে শুনা কথাৰ ভিত্তিতো একপ্ৰকাৰ বুৰঞ্জী সৃষ্টি হৈছিল। এইবিধ বুৰঞ্জীকে অন্য ৰাজ্যৰ বুৰঞ্জী বোলা হৈছে। আনহাতে, কটকীৰ হাতে লিখা বিৱৰণে ই কটকীৰ বুৰঞ্জী। সেইদৰে ৰাজ্যৰ বিভিন্ন চকীসমূহৰ বিষয়াসকলে চকীৰ আয়-ব্যয়, কাম-কাজ তথা ৰাজনৈতিক কাৰ্যকলাপৰ বিৱৰণৰ ভিত্তিত ৰচিত বুৰঞ্জীয়েই চকীয়ালৰ বুৰঞ্জী। চাং-ৰুং ফুকনৰ বুৰঞ্জীত স্বৰ্গদেউৰ মুখ্য অভিযন্তা চাং-ৰুং ফুকনে ৰজাৰ কাৰেং, হোলোংঘৰ, শিঙৰিঘৰ, মঠ-মন্দিৰ, মৈদাম, ইত্যাদি নিৰ্মাণ কৰি তাৰ সমুদায় হিচাপ তথ্যপাতিসহ লিখি থৈছিল, ইয়েই দৰাচলতে চাং-ৰুং ফুকনৰ বুৰঞ্জী।

  অসমীয়া সাহিত্যৰ বুৰঞ্জীকাৰ সত্যেন্দ্ৰ নাথ শৰ্মাই বুৰঞ্জীসমূহক প্ৰধানতঃ দুটা শ্ৰেণীত ভাগ কৰিছে। তেওঁৰ দ্বাৰা বিভাজিত শ্ৰেণী দুটা হ'ল— ক) অসম বা আহোম ৰাজ্যৰ বুৰঞ্জী আৰু খ) আহোম ৰাজ্যৰ বহির্ভুত ওচৰ-চুবুৰীয়া আন ৰাজ্য বা দেশৰ বুৰঞ্জী। যেনে— জয়ন্তীয়া বুৰঞ্জী, কছাৰী বুৰঞ্জী, পাদশাহ বুৰঞ্জী ইত্যাদি।

সূর্য্য কুমাৰ ভূঞাই বুৰঞ্জীসমূহক মুঠতে তিনিটা ভাগত ভাগ কৰি দেখুৱাইছে— ক) ভগদত্তৰ পৰা চুকাফাৰ অসম আগমনৰ আগমুহূর্তলৈকে হিন্দু ৰজাসকলৰ বিক্ষিপ্ত ৰূপৰ বিৱৰণ, খ) 1228 অর্থাৎ আহোমৰ আগমনৰ পৰা 1826 চনলৈকে অর্থাৎ আহোম শাসনৰ পৰিসমাপ্তিলৈকে আৰু গ) অন্য দেশসমূহৰ বুৰঞ্জী।

উল্লেখযোগ্য যে এইসমূহ বুৰঞ্জীৰ ভিতৰত আহোম যুগৰ বুৰঞ্জীৰ সংখ্যাই সর্বাধিক।

নবীন চন্দ্ৰ শর্মাইও আহোমৰ আমোলত ৰচিত বুৰঞ্জীসমূহক কেইটামান ভাগ কৰি দেখুৱাইছে। অৱশ্যে তেওঁৰ শ্ৰেণী বিভাজন বিষয়বস্তু ভিত্তিক নহয়, ভাষা ভিত্তিকহে। তেওঁৰ ভাষাভিত্তিক শ্ৰেণী বিভাজন এনে ধৰণৰ—

ক) আহোম বা টাই লিপি আৰু টাই ভাষাত ৰচিত বুৰঞ্জী

খ) টাই লিপিৰে অসমীয়া ভাষাত ৰচিত বুৰঞ্জী

গ) অসমীয়া লিপিৰে টাই ভাষাত ৰচিত বুৰঞ্জী

ঘ) অসমীয়া লিপিৰে অসমীয়া ভাষাত ৰচিত বুৰঞ্জী।



চিন্তা-চর্চা কৰক - ৪.২

বুৰঞ্জী সাহিত্যৰ শ্ৰেণী বিভাজন সম্পর্কে আলোচনা কৰক।

৪.৪ *সাতসৰী অসম বুৰঞ্জী*ঃ চমু পৰিচয়

এই অধ্যায়ৰে ওপৰোক্ত শিতান '*অসমীয়া বুৰঞ্জী সাহিত্য* ঃ চমু পৰিচয়' শীর্ষক আলোচনাত বুৰঞ্জীকাৰসকলৰ দৃষ্টিভঙ্গীৰে বুৰঞ্জীৰ যিবোৰ শ্ৰেণীৰ কথা উল্লেখ কৰি অহা হৈছে সেইসমূহ শ্ৰেণীৰ ভিতৰত আহোম যুগৰ অর্থাৎ আহোম ৰজাৰ বুৰঞ্জীখিনিয়ে সংখ্যাত সৰহ। এইখিনি বুৰঞ্জী অধিক নিৰপেক্ষ বুলি বিশ্বাস কৰা হয়। এইছোৱা সময়ৰ অসমীয়া ভাষাত ৰচিত বহুকেইখন বুৰঞ্জী ইতিমধ্যে বহুকেইজন পণ্ডিত-সাহিত্যিকৰ সম্পাদনাত প্ৰকাশ হৈ ওলাইছে। যিকেইখন বুৰঞ্জী ইতিমদ্যে সম্পাদনাৰে প্ৰকাশ হৈ ওলাইছে তাৰ ভিতৰত বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ সঞ্চালক হৈ থকা কালত সূর্য্য কুমাৰ ভূঞাই বহুকেইখন বুৰঞ্জী পুথি সম্পাদনা ৰূপত প্ৰকাশ কৰি উলিয়ায়। তেওঁ সম্পাদনা কৰা কেইখনমান বুৰঞ্জী হ'ল— *অসম বুৰঞ্জী*, হৰকান্ত সদৰামিন (1930), *দেওধাই অসম বুৰঞ্জী*(1932), *তুংখুঙীয়া বুৰঞ্জী*(1933), *কছাৰী বুৰঞ্জী* (1936), *জয়ন্তীয়া বুৰঞ্জী*(1937), *ত্ৰিপুৰা বুৰঞ্জী*(1938), *অসম বুৰঞ্জী*, সুকুমাৰ মহন্ত (1945)। এই আটাইবোৰ বুৰঞ্জী পুথিয়েই বুৰঞ্জী আৰু পুৰাতত্ত্ব বিভাগৰ দ্বাৰা প্ৰকাশিত। অৱশ্যে তেওঁৰ দ্বাৰা সম্পাদিত *সাতসৰী অসম বুৰঞ্জী*(1960) গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰকাশন বিভাগৰ দ্বাৰা প্ৰকাশিত। এইখিনিতে ভূঞাৰ সম্পাদিত ৰীতি সম্পর্কত এটা কথা উনুকিয়াই থোৱা ভাল যে তেওঁৰ দ্বাৰা সম্পাদিত আন বুৰঞ্জীসমূহৰ দৰে এইখনতো পুৰণি আখৰ জোঁটনিৰ পৰিৱর্তে

আধুনিক ৰীতি প্ৰয়োগ কৰিছিল। তদুপৰি নামকৰণ, অধ্যায় বিভাজন আৰু শিৰোনামবোৰ তেওঁ নিজা ধৰণে সজাই লৈছিল। অৱশ্যে মূল ঘটনাৰ কোনো হানি-বিঘিনি ঘটোৱা নাই।

সি যি কি নহওক *সাতসৰী অসম বুৰঞ্জী* সূর্য্য কুমাৰ ভূঞা সম্পাদিত বুৰঞ্জীলানিৰ ভিতৰতে এখন উল্লেখযোগ্য বুৰঞ্জী। ই সাতখন বিভিন্ন সময়ত ৰচিত হাতে লিখা বুৰঞ্জীৰ একত্ৰ সঙ্কলন কৰি *সাতসৰী অসম বুৰঞ্জী* নাম দি প্ৰকাশ কৰা হৈছে। সম্পাদকে নিজেই বুৰঞ্জীখনৰ 'সম্পাদকৰ পাতনি'ত বুৰঞ্জীখনৰ নামকৰণ তাৎপর্য ব্যাখ্যা কৰি কৈছে— "পূৰ্ব্বে প্ৰকাশিত কেইবাখনিও বুৰঞ্জীক *অসম বুৰঞ্জী* বোলা হৈছে। এইদৰে একে নাম হোৱা কাৰণে ইখনৰ পৰা সিখনক পৃথক কৰিবলৈ টান হৈ পৰে। ইখন যিখন বুৰঞ্জীৰ পার্থক্যৰ সঙ্কেত দিবৰ নিমিত্তে প্ৰতিখন অসম বুৰঞ্জীক এটি সুকীয়া নামেৰে অভিহিত কৰিলে অতি সুবিধা হয়। এই উদ্দেশ্যে *সাতসৰী অসম বুৰঞ্জী* নামকৰণ কৰা হৈছে। অৱশ্যে ইয়াৰ অন্তর্গত প্ৰতিখন বুৰঞ্জীৰে সুকীয়া নাম নিদি, প্ৰথমখন বুৰঞ্জী, দ্বিতীয়খন বুৰঞ্জী, এই অনুক্ৰমে আখ্যা দিয়া হৈছে।" যদিও বুৰঞ্জীখন বিভিন্ন সময়ত ৰচনা কৰা সাতখন বুৰঞ্জীৰ সমষ্টি তথাপি ইয়াত আহোমৰ ৰাজত্বকালৰ আদিৰ পৰা অন্তলৈকে বহু কথাৰেই আভাস পাব পাৰি। কেৱল সেয়ে নহয়, অসমীয়া বুৰঞ্জীৰ ৰচনা পদ্ধতি, পুৰণি কালৰ মাত-কথা, বিভিন্ন ৰাজনৈতিক সমস্যাৰ সমাধান প্ৰণালীকে আদি কৰি দেশৰ অর্থনৈতিক তথা সামাজিক অৱস্থাৰ কথাও বুৰঞ্জীখনে জানিব দিয়ে। সম্পাদকে 'সম্পাদকৰ পাতনি'ত নিজেই এই কথা উল্লেখ কৰিছে।

তলত *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তর্গত বুৰঞ্জীসমূহৰ বিষয়বস্তু আৰু ঘটনাৱলীৰ কাল সম্পর্কে সাধাৰণ আভাস দিয়া হ'ল—

- **প্ৰথমখন বুৰঞ্জী ঃ** খুন্‌লুং-খুন্‌লাইৰ পৰা চুজিনফা অর্জ্জুন দিহিঙ্গীয়া ৰজালৈকে বিভিন্ন ৰজা আৰু তেওঁলোকৰ ৰাজত্বকালৰ বর্ণনা পোৱা যায়। সময় ঃ খ্ৰীষ্টাব্দ 569–1677 পর্যন্ত।
- **দ্বিতীয়খন বুৰঞ্জী ঃ** আদি ৰজা স্বর্গনাৰায়ণৰ পৰা চুহুংমুং দিহিঙ্গীয়া ৰজালৈকে বিৱৰণ পোৱা যায়। সময় ঃ খ্ৰীষ্টাব্দ 1133–1539 পর্যন্ত।
- **তৃতীয়খন বুৰঞ্জী ঃ** চুহুংমুং দিহিঙ্গীয়া ৰজাৰ পৰা প্ৰমত্ত সিংহ স্বর্গদেউলৈকে বিৱৰণ আছে। সময় ঃ 1497–1751 খ্ৰীঃ পর্যন্ত।
- **চতুর্থখন বুৰঞ্জী ঃ** চুহুংমুং দিহিঙ্গীয়া ৰজাৰ পৰা গৌৰিনাথ সিংহ স্বর্গদেউলৈকে। সময় ঃ খ্ৰীষ্টাব্দ 1497–1795লৈকে।
- **পঞ্চমখন বুৰঞ্জী ঃ** স্বর্গদেউ জয়ধ্বজ সিংহ আৰু চক্ৰধ্বজ সিংহৰ ৰাজত্ব কালৰ বিৱৰণ সংৰক্ষিত হৈছে। সময় ঃ খ্ৰীষ্টাব্দ 1648ৰ পৰা 1770 পর্যন্ত।
- **ষষ্ঠখন বুৰঞ্জী ঃ** স্বর্গদেউ কমলেশ্বৰ সিংহৰ পৰা মহাৰাজ পুৰন্দৰ সিংহৰ উজনি অসমৰ কৰতলীয়া শাসনৰ সমাপ্তিলৈকে। খ্ৰীষ্টাব্দ 1795–1838।
- **সপ্তমখন বুৰঞ্জী ঃ** শেষ অর্থাৎ সপ্তমখন বুৰঞ্জীত আহোম ৰজাসকলৰ ৰাজনীতি, সমাজনীতি তথা বিভিন্ন বিষয়াৰ সামাজিক মর্যাদা আদিৰ বর্ণনা আছে।

সম্পাদকে সাতখন বুৰঞ্জীৰ বাবে সাতখন সূচীপত্ৰত প্ৰতিখন বুৰঞ্জীৰ অন্তৰ্গত ঘটনাৱলীৰ সম্পূৰ্ণ তালিকা দিছে। ইয়াৰ পৰা কোন ৰজাৰ দিনত কি ঘটনা ঘটিছিল অথবা একেটা ঘটনাকে ৰচোঁতা বিশেষে কেনেকৈ উপস্থাপন বা লিপিবদ্ধ কৰিছে তাৰো আভাস পাব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ *সাতসৰী অসম বুৰঞ্জী*ৰ সম্পাদকগৰাকী কোন?



চিন্তা-চৰ্চা কৰক - ৪.৩

সাতসৰী অসম বুৰঞ্জী নামৰ তাৎপৰ্য ব্যাখ্যা কৰক।

৪.৫ *সাতসৰী অসম বুৰঞ্জী*ৰ বিশেষত্বসমূহ

অন্যান্য বুৰঞ্জীৰ দৰে *সাতসৰী অসম বুৰঞ্জী*ৰ তেনে এখন বুৰঞ্জী যদিও বুৰঞ্জীখনৰ কেতবোৰ নিজা বৈশিষ্ট্য আছে। সেইসমূহ বৈশিষ্ট্য তলত উল্লেখ কৰা হ'ল—

ক) *সাতসৰী অসম বুৰঞ্জী*ৰ প্ৰথম আৰু প্ৰধান বৈশিষ্ট্যটোৱে হ'ল ই এখন নহয়, সৰু-বৰ সাতখন বুৰঞ্জীৰ সমষ্টি।

খ) বুৰঞ্জীসমূহে একেজন লেখকৰ দ্বাৰা লিখিত বা ৰচিত নহয়। তদুপৰি একে সময়ৰ ৰচনাও নহয়। বৰং বিভিন্ন সময়ত লিখা ভিন্নজনৰ বুৰঞ্জীহে।

গ) বুৰঞ্জীসমূহ এখনৰ সৈতে আন এখনৰ ধাৰাবাহিক নহয়। অৱশ্যে সাতোখন বুৰঞ্জী লগ লগাই আহোম যুগৰ অৰ্থাৎ আহোম শাসনৰ আৰম্ভণিৰ পৰা শেষলৈ একোটি ধাৰাবাহিক বিৱৰণ দিব পৰা যায়।

ঘ) সাতখন বুৰঞ্জীৰ সমষ্টিক একে লগে *সাতসৰী অসম বুৰঞ্জী* নাম দিয়া হৈছে যদিও এককভাৱে কোনোখন বুৰঞ্জীৰে নিজস্ব নাম নাই। নামৰ পৰিৱৰ্তে প্ৰতিখন বুৰঞ্জীকে ক্ৰমাগতভাৱে প্ৰথমখন বুৰঞ্জী, দ্বিতীয়খন বুৰঞ্জী হিচাপে নামকৰণ কৰা হৈছে।

ঙ) প্ৰথমৰ ছখন বুৰঞ্জীত বিভিন্ন ৰজা-মহাৰজাৰ ৰাজত্বকালৰ বিভিন্ন ঘটনাৱলী একোটি নিৰ্দিষ্ট সময়ৰ গণ্ডীত বৰ্ণনা কৰিছে। কিন্তু সপ্তমখন বুৰঞ্জীত ভাল বা কোনো বিশেষ ৰজাৰ ৰাজত্বকাল অথবা ঘটনাৱলীৰ বিৱৰণৰ পৰিৱৰ্তে 'আহোমৰ দিনৰ বিষয়াসকলৰ নিৱন্ধ'ত আহোম ৰাজনীতি আহোম যুগৰ ভিন্ ভিন্ বিষয়াৰ মৰ্যাদা তথা সামাজিক নীতি-নিয়মৰ কথাহে বৰ্ণিত হৈছে। বুৰঞ্জীখন আকাৰতো আনকেইখনৰ তুলনাত তেনেই চুটি।

চ) একেজন ৰজাৰ ৰাজত্ব কালৰ বিৱৰণ একাধিক বুৰঞ্জীত দেখিবলৈ পোৱাতো বুৰঞ্জীখনৰ আন এটি উল্লেখযোগ্য বৈশিষ্ট্য। উদাহৰণ স্বৰূপে, চুকাফাৰ পূৰ্বীয় ৰজাসকলৰ বিৱৰণ

প্ৰথম আৰু দ্বিতীয় দুয়োখন বুৰঞ্জী আছে। সেইদৰে চুহুংমুং দিহিঙ্গীয়া ৰজাৰ ৰাজত্বকালৰ বিৱৰণ দ্বিতীয়, তৃতীয় আৰু চতুৰ্থখন বুৰঞ্জীত আছে।

ছ) একেটা ঘটনা ভিন্ন বুৰঞ্জীত অৰ্থাৎ বুৰঞ্জী বিশেষে ভিন্ ভিন্ ধৰণেৰে আছে। তদুপৰি এখনত থকা বহু কথা আকৌ আনখনত দেখিবলৈ পোৱা নাযায়।

জ) বুৰঞ্জীসমূহে ৰাজনৈতিক ঘটনাৰ বিৱৰণ দিয়াৰ লগতে সামাজিক স্তৰৰো বিভিন্ন দিশ সামৰি লৈছে; যেনে— সমাজৰ নীতি-নিয়ম, আচাৰ-ব্যৱহাৰ ইত্যাদি।

ঝ) বিভিন্ন ঘটনা আৰু কাৰ্যৰ বৰ্ণনাৰসময়ত চুটি কথাৰমাজেৰে বৰ্ণনা কৰাৰ উপৰিও উপকথা, প্ৰবাদ-প্ৰবচনৰো ওচৰ চপা দেখা যায়।

ঞ) আলঙ্কাৰিক নামকৰণ বুৰঞ্জীৰ ক্ষেত্ৰ বিৰল। কিন্তু সম্পাদকে বুৰঞ্জীখনৰ নামটোত 'সাতসৰী' শব্দটো ব্যৱহাৰ কৰি সাহিত্যিক ব্যঞ্জনা দিবলৈ চেষ্টা কৰিছে। সেই ফালৰ পৰা নামটিয়েই বুৰঞ্জীখনলৈ সুকীয়া বৈশিষ্ট্য এটি কঢ়িয়াই আনিছে বুলি ক'ব পাৰি। এনেবোৰ বৈশিষ্ট্যই আচলতে বুৰঞ্জীখনত দেখিবলৈ পোৱা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ চুহুংমুং দিহিঙ্গীয়া ৰজাৰ (ওপৰজনা) ৰাজত্বকালৰ বিৰৱণ থকা *সাতসৰী অসমীয়া বুৰঞ্জীৰ* অন্তৰ্গত যিকোনো দুখন বুৰঞ্জীৰ নাম লিখক।



চিন্তা-চৰ্চা কৰক - ৪.৪

সাতসৰী অসম বুৰঞ্জীৰ বিশেষত্বসমূহ নিৰূপণ কৰিবলৈ যত্ন কৰক।

৪.৬ *সাতসৰী অসম বুৰঞ্জীৰ* অন্তৰ্গত প্ৰথমখন বুৰঞ্জী

সাতসৰী অসম বুৰঞ্জীৰ আলোচনা প্ৰসঙ্গত আমি *সাতসৰী অসম বুৰঞ্জীৰ* অন্তৰ্গত প্ৰতিখন বুৰঞ্জীৰ বিষয়বস্তু আৰু সময়ৰ এটি সাধাৰণ আভাস দাঙি ধৰিছোঁ। সেই অনুযায়ী *সাতসৰী অসম বুৰঞ্জীৰ* অন্তৰ্গত প্ৰথমখন বুৰঞ্জীৰ বিষয়বস্তুৰ বিস্তৃতি হ'ল খুন্লুং-খুন্লাইৰ পৰা চুজিন্ফা অৰ্জ্জুন দিহিঙ্গীয়া ৰজালৈকে। এইজন দিহিঙ্গীয়া ৰজাক সৰুজনা দিহিঙ্গীয়া ৰজাও বোলে। সি যি কি নহওক চুকাফাৰ পূৰ্বপুৰুষৰ পৰা অৰ্জ্জুন দিহিঙ্গীয়া ৰজাৰ সময়লৈকে বিভিন্ন ৰজাৰ আমোলৰ ৰাজনৈতিক ঘটনা-পৰিঘটনা প্ৰথমখন বুৰঞ্জীত সন্নিৱিষ্ট হৈছে। সময় সামৰা হৈছে খ্ৰীঃ 569–1677লৈকে। তলৰ অনুচ্ছেদত *সাতসৰী অসম বুৰঞ্জীৰ* অন্তৰ্গত প্ৰথমখন বুৰঞ্জীৰ বিষয়বস্তুৰ এটি আভাস দিবলৈ যত্ন কৰা হ'ল।

৪.৬.১ প্ৰথমখন বুৰঞ্জীৰ বিষয়বস্তু

সত্য যুগ সুখে-সন্তোষে অতিবাহিত হোৱাৰ পিছত ত্ৰেতা যুগত পৃথিৱীত অনেক অশান্তি হ'ল। তাৰ পৰিত্ৰাণৰ আশাৰে পৃথিৱীৰ লোকে ইন্দ্ৰক প্ৰাৰ্থনা কৰাত ইন্দ্ৰইয়ো দুই আপোন নাতি খুন্‌লুং আৰু খুন্‌লাইক শিকাই-বুজাই সোণ আৰু ৰূপৰ জখলাৰে পৃথিৱীলৈ পঠিয়াই দিলে। লগত দি পঠালে বৰঢাক, পাণ্ডপত্ৰ, খড়্গ, দণ্ড, ছত্ৰ, চামৰ, টঙ্গিপীৰা, সোণ-ৰূপৰ ঢাৰি ইত্যাদি কেইপদমান মূল্যৱান সামগ্ৰী। তেওঁলোক আহি প্ৰথমতে মুংৰিমুঙ্গৰামত ৰজা হৈ বহিল। পিছে বিবাদ লগাত খুন্‌লুং পুনৰ স্বৰ্গলৈ উভতি গ'ল আৰু খুন্‌লাই পৃথিৱীতে থাকিল।

তেওঁৰে অনেক বংশই পৃথিৱী শাসন চলালে যদিও এঘাৰ পুৰুষৰ অন্তকালত মেটা নামে নগা বন্দী এটাই খুন্‌লাইৰ বংশ খেদি ৰজা হৈ অত্যাচাৰী হৈ পৰিল। প্ৰজাৰ বহু দুখ হ'ল। পণ্ডিতৰ মণ্ডলৰ বিধান মতে খুন্‌লুঙৰ বংশ বিচাৰি আনি ৰাজ্য চলালে। নগা সেইফালে নিধন হ'ল। প্ৰজাৰ সুখ আৰম্ভ হ'ল— "পাল-পঁচা নাই। অদোষত দণ্ড নাই, দোষত দণ্ড। ৰাজায়ো স্বধৰ্ম্মে প্ৰৱৰ্ত্তিলে।" এইদৰে এওঁৰ অনেক পুৰুষে ৰাজভোগ কৰিলে। ইফালে কলিকালৰো চাৰি হাজাৰ দুশ বছৰ পাৰ হ'ল।

ইফালে নড়া ৰজাৰ ভনীয়েকৰ গৰ্ভত জন্ম হ'ল চুখ্ৰান্‌ফা। ভায়েক চুকাফাই চুখ্ৰান্‌ফাক দেশ গটাই নামনিৰ ৰাজ্য অসমলৈ আহিল। প্ৰথমেই চুকাফাই নগাক পৰাজিত কৰি নামকি পাৰ হৈ খাম্‌জাঙত উপস্থিত হ'ল। তাতেই লগত লৈ অহা পণ্ডিতক ক'লে, "যি মৰে, যাক পাওঁ, বাটত যি কথা হয়, পণ্ডিতে লিখি থব।" আহোতে বাটত লগ পোৱা চুতিয়া, মৰাণ, বৰাহী, কছাৰীৰো লগ লাগে। সেইসকলৰ তিৰোতাও বিয়া কৰাই মিত্ৰতা বঢ়ালে। লাহে লাহে চুকাফাই তিপামৰ পৰা দিহিঙ্গে ভটিয়াই দিখৌৰে উজাই প্ৰথমে দিলিঙ্গমুখ আৰু তাৰ পাছত শিমলুগুৰিত উপস্থিত হ'ল। শিমলুগুৰিত উপস্থিত হৈ মানুহ পঠাই চুবুৰীয়া বৰাহী, মৰাণ-কছাৰীৰ সৈতে মিত্ৰতা কৰাৰ আশাৰে মৰাণ-কছাৰীৰ অধিকাৰ থামিথুমালৈ বাৰ্তা পঠালে। অধিকাৰ থামিথুমাইও সাহাৰ্য্য কৰি দেওঘৰৰ কাষতে নগৰ পাতি বহালে। এইদৰে বৰাহী, মৰাণ-কছাৰী, নগাৰ সৈতে মিত্ৰতা আৰু বশ কৰি ডেৰকুৰিৰো অধিক কাল ৰাজভোগ কৰিৰজাদেউ-এ (চুকাফা) দুই পুতেক সহিতে এজনী জীয়ৰী এৰি চিৰদিনলৈ চকু মুদিলে। তাৰ পাছত চুতেওফা, চুবিনফাৰ ৰাজ নেতৃত্বত কেইবছৰমান ৰাজকাৰ্য চলিল। এওঁলোকৰ ৰাজভোগৰ পিছত ত্যাইচুখান্‌ফা ৰজা হ'ল। এওঁৰে দিনত কমতাপুৰ জিনি ৰাজনী আৰু ভাজনী দুই কন্যা আহোম ৰাজ্যলৈ লৈ আহে। তাৰ পাছৰ পাঁচ বছৰ ৰাজ্য অৰাজ্য হ'ল। তাকে ভাবি প্ৰজাই লাহনজী গাঁৱৰ পৰা আনি চুতাওফাক ৰজা পাতিলে। পিছে চুতিয়া ৰজাৰ চলনাত তেওঁৰ মৃত্যু হোৱাত ত্যাওখাম্‌থি ৰজা হ'ল। পিছে এওঁৰ দিনত দেশত পুনৰ অন্যায় হ'ব ধৰিলে. প্ৰজাসকলে ভায়েক চুচেঙ্গক মাতি ৰাজপাটত বহুৱাতহে ৰাজ্য বাচিল। প্ৰায় তেৰ বছৰ তেওঁ ৰাজত্ব

কৰাৰ পিছত ত্যাওফা-চুফক আৰু চুহানফাইয়ো কেইটামান বছৰ ৰজা হৈ অতিবাহিত হোৱাৰ পিছত চুহুংমুং দিহিঙ্গীয়া ৰজা হ'ল। ৰজাদেৰে নগা এটালৈ সগর্ভা কুঁৱৰী এগৰাকীক দিলে। নগাৰ ঘৰত জন্মা কুঁৱৰৰ নাম থোৱা হ'ল কন্‌চেং। এইজন ৰজায়ে কোঁৱৰক নিবন্ধ কৰি ৰাখিলে। লাহে লাহে স্বৰ্গদেৰে চুতিয়াক জিনি, কছাৰীক কৰতলীয়া কৰি আৰু ভূঞাসকলক বশ কৰি কৰতোৱা নৈলৈকে নিজৰ ৰাজ্য বঢ়ালে। কেৱল সেয়ে নহয় বেহাৰৰ (কোচবিহাৰ) ৰজা বিশ্ব সিংহ আহি নিজেই ৰজাৰ লগ লাগিল। ৰাজচ'ৰালৈ ভূঞাসকললৰো আগমন ঘটিল। পিছে চুহুংমুং ৰজাৰে সৈতে পুত্ৰ গড়গঞা ডেকাৰজাৰ কন্দল লাগিল। সেই কন্দলৰ ফলস্বৰূপে ডেকাৰজাই ধন লেহেতিয়াৰ হতুৱাই চক্ৰান্ত কৰি ৰজাদেৱক প্ৰাণে মাৰিলে।

ৰজা মৰিলত ডেকাৰজা সিংহাসনত বহিল। এওঁ গড়গঞা ৰজা বুলিও খ্যাত। কাৰণ ৰজাই চাৰিওফালে গড় দি নগৰ ৰাখিছিল। অৱশ্যে হেমন নামৰ খেতিয়কৰ বাধাৰ বাবে তেওঁ নমৰালৈকে নিজৰ মাটিত গড় বান্ধিব পৰা নাছিল। হেমন মৰিলতহে ৰজাৰ গড় বন্ধা সপোন পূৰ্ণ হ'ল। গড় বন্ধাৰ অন্তত ৰজাই নগৰৰ নাম গড়গ্ৰাম ৰাখিলে। যাৰ বৰ্তমান নাম গড়গাঁও। দিখৌ নৈৰ দুয়োকাষে হাবি কাটি মানুহো বহুৱালে, তোলনীয় নগা ল'ৰাক প্ৰাপ্যৰ পৰা বঞ্চিত কৰাৰঅপৰাধত ৰজাদেৰে টংচু বৰবৰাক বংশ বৃদ্ধি নহওক বুলি অভিশাপ দি বৰবৰা পদৰ পৰা নমালে। টংচু নগাকো ঘৰ-মাটি দি ভালকৈ বহুৱালে। ডেকাৰজা তথা গড়গঞা ৰজাৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ গোঘাৰজা ৰজা হ'ল। তেওঁৰ দিনত দিহিঙ্গৰ বাটত পুখুৰী খান্দোতে আঠা সলোৱাই আঠোটা আঠা পুলি আনি ৰজাক ভেটিলে। সেয়েহে তাৰ পৰা আঠাবাৰী গাঁও নাম হ'ল। চিলাৰায়ে এইবাৰ যুদ্ধলৈ আহিল। আহোমে শুনিলে মহাদেৱৰ পুত্ৰ চিলাৰায়ক পৰাজিত কৰা সহজ নহয়, কিন্তু তেওঁ গো-ব্ৰাহ্মণ বধা নকৰে। সেয়েহে আহোম ৰাজ্যৰ সকলো লোকে লগুণ পিন্ধি গৰুৰ পিঠিত উঠি যুদ্ধ কৰিলে। পিছে চিলাৰায়ে 'গো-ব্ৰাহ্মণহে যুদ্ধক আহে। ক্ষত্ৰ নহয়, আনো জাতি নহয়। আত ব্ৰাহ্মণ-বৈষ্ণৱহে আছে। আক যুদ্ধ কৰিবলৈ আমাৰ ভাল নোহে।" এই বুলি চিলাৰায় নিজ দেশলৈ উভতি গ'ল। তাৰ পিছত বহুতে বামুণ বুলি নিজকে কৈ লগুণ নোসোলোকালে। স্বৰ্গদেৰে লেকাই চেটিয়া বৰবৰাক বিষয়টো বিচাৰ কৰিবলৈ দিলে। বিচাৰত কতৰ লগুণ থাকিল কতৰ গুচিল। সেই কাৰণে মানুহে কয়, "লগুণৰ গিৰি লেকাই চেটিয়া।" অৱশ্যে প্ৰথমবাৰ চিলাৰায় উভতিধিল যদিও দ্বিতীয়বাৰ যুদ্ধৰ পৰা খোৱাৰজা চৰাইগোৰোং পৰ্বতত আত্মগোপন কৰিলেগৈ। অৱশ্যে সন্ধি মতে দুয়োপক্ষৰ পিছত মিত্ৰতা হ'ল। খোৱাৰজাৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ চুচেংফা প্ৰতাপ সিংহ ৰজা হ'ল। ৰজা হৈয়ে সোণাৰী জী কুঁৱৰীক সবংশে বধ কৰিলে; ইফালে শিঙৰীঘৰত উঠি আওবৰ ৰুই ৰাইজক বঁটা-বাহনো দিলে। এওঁৰ দিনতে শুকটা তামূলী বৰবৰা হৈ দিহিঙ্গত মথাউৰি বন্ধালে। মেচাঘৰ, তেলীয়াডোঙ্গা, গজপুৰ আদিত পুখুৰী খন্দালে। গড়গাঁও মেৰাই বাঁহগড় বান্ধি দহখান দুৱাৰ দিলে,

তিনি ঠাইত সিংহদুৱাৰ দিলে। সেই গুণে বৰবৰা গুচাই শুকটী তামূলীক বৰবৰুৱা পাতিলে। এয়ে নহয় ৰৌমৰীয়া গণকক ভণ্ডাৰী বৰুৱা পাতিলে। তাৰ পিছত আহোমৰ লগত বঙ্গালৰ (মোগল) যুদ্ধ হ'ল। যুদ্ধ জয়ৰ নিমিত্তে মহেশ্বৰক পূজা কৰি ভড়লীৰ যুদ্ধত মোগলৰ বিৰুদ্ধে আহোমৰ জয় হ'ল। এইজন স্বৰ্গদেৱে মোমাই তামূলী আহি ডাঙৰীয়াসকলক ৰাজ্য পাতিব দিলে। পিছে প্ৰতাপ সিংহ স্বৰ্গদেউ 3 6 বছৰ ৰাজভোগৰ পিছত মৃত্যু হোৱাত ভগাৰজা ৰজা হ'ল। ৰজা হৈ শলগুৰিলৈ আলি বন্ধালে। এওঁৰ পিছৰজন ৰজা নৰিয়া ৰজা। এওঁৰ পিছতে ৰাজপাটত বহে স্বৰ্গদেউ জয়ধ্বজ সিংহ। জয়ধ্বজ সিংহই ৰজা হৈ ভায়েকহঁতক মাৰি দিহিঙ্গীয়া বুঢ়াগোহাঁইক ভাঙি দিলিহিয়াক বুঢ়াগোহাঁই পাতিলে। জীয়েকক বৰকুঁৱৰী পাতিলে। মীৰ্জ্জা নাথুলা বঙ্গালকো বধিলে। এইজনা ৰজাই পদ্মপুৰাণৰ জনকৰ আখ্যানৰ পদ ৰচনা কৰাৰ বাদেও অন্য পদ-পয়াৰো কৰে। এওঁৰ দিনতে মীৰজুমলা মোগলৰ সেনাপতি হৈ আহোমৰ বিৰুদ্ধে যুদ্ধ দিবলৈ অহাত স্বৰ্গদেৱে পেচকচ দিয়াত মোগল অসম এৰি গুচি যায়। আন ৰজাৰ দৰে তেওঁৰ পিছৰজন ৰজা চক্ৰধ্বজ সিংহও মোগলৰ বিৰুদ্ধে কৰা যুদ্ধত জিনিবলৈ সক্ষম হয়। উদয়াদিত্য সিংহ স্বৰ্গদেৱে কালজৰীয়া লোকক বৈৰাগী এজনৰ ভকত হ'বলৈ কোৱাত ডেবেৰাই ৰজাক মাৰি ভায়েক সৰুজনা গোহাঁইক ৰজা হিচাপে সিংহাসনত বহুৱালে। ৰজা হৈ নাম ল'লে ৰামধ্বজ সিংহ। ডেবেৰা বৰুৱাৰ লগত বিৰোধ হোৱাত ৰজাক দৰবৰ লগত বিহ খুৱাই মাৰিলে। ডেবেৰাই বহুতো কোঁৱৰ আৰু ফুকনকো মাৰিলে। ডেবেৰাই চামগুৰীয়া কোঁৱৰ এজনক ৰজা পাতি তেওঁকো মাৰি তুংখুঙ্গীয়া কোঁৱৰক ৰজা পাতিলে। ডেবেৰাৰ অত্যাচাৰ আৰু অকাৰ্যৰ কথা শুনি গুৱাহাটীৰ আতন বুঢ়াগোহাঁই আৰু ফুকনসকলে উজাই গৈ ডেবেৰা আৰু তুংখুঙ্গীয়া কোঁৱৰ দুয়োকে বধ কৰিলে। শৰাইঘটীয়াসকলে অৰ্জ্জুন দিহিঙ্গীয়া কোঁৱৰক ৰজা পাতিলে। ৰজা হৈয়ে চেৰামুখত দৌল বান্ধিলে। বুঢ়াগোহাঁইৰ লগত ৰজাৰ বিৰোধ লগাত গুৱাহাটীয়া ফুকনসকল আনি কটাৰিখামৰ গড়ত কিছুপৰ যুঁজি নগৰ প্ৰৱেশ কৰিলে আৰু ৰজাক ধৰি মাৰিলে। এইদৰে কন্দলৰ মাজতে মাথোন ডেৰ বছৰ কাল ৰাজভোগ খায়ে অৰ্জ্জুন দিহিঙ্গীয়া ৰজা আহোমৰ বুৰঞ্জীত ইতিহাস হ'ল।

ইয়াতেই *সাতসৰী অসম বুৰঞ্জীৰ* প্ৰথমখন বুৰঞ্জীৰ বিষয়বস্তুৰ বিৱৰণৰ সামৰণি মৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ গড়গাঁও ৰজা বুলি কাক জনা যায়?

প্ৰশ্ন নং ৬ ঃ পদ্মাপুৰাণৰ জনকৰ আখ্যানৰ পদ কোনে ভাঙনি কৰিছিল?



চিন্তা-চৰ্চা কৰক - ৪.৫

আৰম্ভণিৰ পৰা অৰ্জ্জুন দিহিঙ্গীয়া ৰজালৈ ধাৰাবাহিক বিৱৰণ দিবলৈ যত্ন কৰক।

৪.৬.২ প্ৰথমখন বুৰঞ্জীৰ গদ্যৰীতি

অসমীয়া গদ্যশৈলীৰ ক্ৰমবিকাশৰ ইতিহাসত বুৰঞ্জীৰ গদ্যৰ ভূমিকা যথেষ্ট বেছি। কিয়নো এই গদ্যৰ মূল ভেটি সমসাময়িক সমজাৰ কথিত ভাষা। অৰ্থাৎ বুৰঞ্জীৰ কথাশৈলী সমাজৰ কথিত ভাষাৰ ওপৰত বিশেষভাৱে নিৰ্ভৰশীল হোৱা হেতুকে বুৰঞ্জীৰ গদ্য বেছি ঘৰুৱা আৰু অকৃত্ৰিম। ক'বলৈ গ'লে এই অকৃত্ৰিমতা আৰু সৰলতাই বুৰঞ্জীৰ গদ্যক বিশেষ মৰ্যাদা প্ৰদান কৰিছে। *সাতসৰী অসম বুৰঞ্জী*ও ইয়াৰ ব্যতিৰেক নহয়। অৰ্থাৎ বুৰঞ্জী ৰচনাৰ যি কথনশৈলী সেই কথনশৈলী *সাতসৰী অসম বুৰঞ্জী*ৰ গদ্যতো প্ৰযোজ্য। তলত *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত প্ৰথমখন বুৰঞ্জীৰ গদ্যৰীতিৰ বৈশিষ্ট্যবোৰ বিচাৰ কৰি চোৱাৰ যত্ন কৰা হ'ল। স্মৰ্তব্য যে সামগ্ৰিকভাৱে বুৰঞ্জীৰ গদ্যৰীতি বিচাৰৰ আধাৰতে এইখন বুৰঞ্জীৰো গদ্যৰ বৈশিষ্ট্য নিৰূপণ কৰা হৈছে। তলত প্ৰথমখন বুৰঞ্জীৰ গদ্যশৈলীৰ বৈশিষ্ট্যবোৰ উল্লেখ কৰা হ'ল—

ক) আন বুৰঞ্জীৰ দৰে এইখন বুৰঞ্জীৰ ভাষাও কথ্য ভাষাৰ ওচৰ চপা বাবে ইয়াৰ কথনশৈলী অধিক সৰল আৰু পোনপটীয়া। অস্পষ্ট, জটিলতা আৰু দ্ব্যৰ্থকতা বুৰঞ্জীখনত নাই বুলিলেই হয়। যাৰ বাবে বৰ্ণনীয় বিষয় বোধগম্য হোৱাত তেনেই সহজ হৈ পৰিছে। যেনে— "পাচে ইন্দ্ৰদেৱে আপোনাৰ দুই নাতি খুন্‌লুং-খুন্‌লাইক পৃথিৱীলৈ নমাই পঠালে। সোণৰ-ৰূপৰ জখলাৰে নমাই পঠালে। মুংৰিমুঙ্গৰামলৈ আহিল। মথুৰাকে মুংৰিমুঙ্গৰাম বোলে। পাচে বিবাদ লাগিল। খুন্‌লুং স্বৰ্গলৈ গ'ল। খুন্‌লাই পৃথিৱীতে থাকিল।" (ছেদ ঃ 3)

খ) বুৰঞ্জীৰ গদ্য এফালে যিদৰে সৰল আৰু অনাড়ম্বৰ আনফালে সেই অনাড়ম্বৰাক আৰু অধিক ঘৰুৱা ভাষাৰ ওচৰ চপাবলৈ যাওঁতে জঁতুৱা ঠাঁচ আৰু সৰল শব্দৰ যোজনা প্ৰায়ে প্ৰযোগ কৰা দেখা যায়। *সাতসৰী অসম বুৰঞ্জী*ৰ প্ৰথমখন বুৰঞ্জীতো এই বৈশিষ্ট্যটি সঘন প্ৰয়োগ লক্ষ্য কৰা যায়। যেনে— "আমাৰ মানুহে কুচিয়া খোচে দেখি বোলে, মাটিৰ তলত কুচিয়া, তাক কিকৈ দেখে। আমাৰ মানুহে বোলে, কুচিয়া কি ডাঙ্গৰ দেখিলি? তো নাড়ী-পেটিকো দেখিছোঁ।" (ছেদ ঃ 15)

গ) চুটি চুটি বাক্যৰ প্ৰয়োগ বুৰঞ্জীৰ গদ্যৰ এটি উল্লেখযোগ্য বৈশিষ্ট্য। প্ৰথমখন বুৰঞ্জীতো চুটি চুটি বাক্যৰ প্ৰয়োগ বহুল ৰূপত দেখিবলৈ পোৱা যায়। চুটি বাক্যই সদায় সৰল ভাব প্ৰকাশত সহায় কৰে। যেনে— "...ৰাজ্যত সুখ হ'ল। খুন্‌লুঙ্গৰ বংশে ৰাজ্য

পালিলে। সত্যেতো অধিক দায়া।নাল-পঁচা নাই।অদোষত দণ্ড নাই, দোষত দণ্ড। ৰাজায়ো স্বধৰ্ম্মে প্ৰৱৰ্ত্তিলে।" (ছেদ ঃ 4)

ঘ) বুৰঞ্জীখনত চুটি বাক্যৰ প্ৰয়োগ যিদৰে আছে, সেইদৰে দীঘল বাক্যৰ প্ৰয়োগো আছে। উদাহৰণ স্বৰূপে, "পূৰ্ব্বে যি চুকাফায়ে যি বৰাহী মৰাণ পালে থামিথুমা, থাকুনথা, থাকুন্‌খুন্‌, এতিয়া তাৰ নাতি-পুতিক চৰগুৱা, পাইবেলাত, দিহিঙ্গত জাঁজিত, বাঘচৌত, কতোক লঙ্ককত পাতিলে।"(ছেদ ঃ 46)অৱশ্যে চুটি বাক্যৰ তুলনাত দীঘল বাক্যৰ প্ৰয়োভৰ বুৰঞ্জীখনত যথেষ্ট কম।

ঙ) বাক্য প্ৰয়োগৰ ক্ষেত্ৰত বুৰঞ্জীখনলৈ চকু দিলে আন কেইটামান কথালৈ মন কৰিবলগীয়া। সেয়া হ'ল— প্ৰত্যক্ষ উক্তিৰ ব্যৱহাৰ, যিয়ে বৰ্ণনীয় বিষয় প্ৰাণৱন্ত কৰিবলৈ সক্ষম; প্ৰশ্নসমূচক বাক্যৰ প্ৰয়োগ,যিয়ে বুৰঞ্জীখনলৈ নাটকীয়ত্ব গুণ প্ৰদান কৰাত সহায় কৰিছে; তদুপৰি উপদেশমূলক বাক্যৰ প্ৰয়োগো বুৰঞ্জীখনত আছে। যেনে—

প্ৰত্যক্ষ উক্তি ঃ "আজিয়ে পেলাম। তই চাই থাক। পুৱালে তোৰ ৰাজ। ৰাতিৰ ভিতৰত দিখৌত পেলাব পাৰিলে মোৰ ৰাজ।" (ছেদ ঃ 21) অথবা—

"গো-ব্ৰাহ্মণহে যুদ্ধক আহে। ক্ষতৃ নহয়, আনো জাতি নহয়। আত ব্ৰাহ্মণ-বৈষ্ণৱহে আছে। আক যুদ্ধ কৰিবলৈ আমাৰ ভাল নোহে।" (ছেদ ঃ 64)

প্ৰশ্নসূচক বাক্য ঃ "তই হেঙ্গদান ক'ত পালি? সি বোলে, মোৰ বুপাৰ হেঙ্গদান। ইভোৰে বোলে, তোৰ বাপেৰে ক'ত আছে?" (ছেদ ঃ 30)

উপদেশমূলক বাক্য ঃ "বছৰি আহি এই ঘৰতে থাকিবি।"

এনেবোৰ বাক্যই নহয় আদেশ আৰু প্ৰাৰ্থনাসূচক বাক্যও আলোচিত বুৰঞ্জীখনত দেখিবলৈ পোৱা যায়। ইয়ে বুৰঞ্জীখনলৈ বাক্য প্ৰয়োগৰ বৈচিত্ৰ্য বঢ়াই তুলিছে। যেনে—

আদেশাত্মক বাক্য ঃ "যা মোক বছৰি-বছৰি তই ধন দি থাকিবি।" (ছেদ ঃ 6)

সেইদৰে, "যি মৰে, যাক পাওঁ, বাটত যি কথা হয়, পণ্ডিতে লিখি থব।" (ছেদ ঃ 9)

প্ৰাৰ্থনাসূচক বাক্য ঃ "ভড়ৰী আই, বঙ্গালখনি খাই দিয়া।" (ছেদ ঃ 79)

চ) একেটা মাথোন বাক্যতে সৰু সৰু একাধিক বাক্যৰ সমাৱেশ বুৰঞ্জীখনৰ গদ্যৰীতিৰ আন এটি বৈশিষ্ট্য। যেনে—

1) "আমালৈ ঘোঁৰা দিবি20, বুঢ়াগোহাঁইলৈ দিবি 3টা,মৰঙ্গিখোৱালৈ দিবি 1টা, এই নিবন্ধ।" (ছেদ ঃ 48)

2) "সি কলত তাৰ ৰজা নাহি ভায়েকক পঠালে, তাৰ হাতত ৰূপ 1000, ঘোঁৰা 30, দায়বাৰু 62, বছৰি বছৰি এই ৰূপে দিব বুলি কবুলি কৰিলে।"(ছেদ ঃ 50)

ছ) বুৰঞ্জীক সাহিত্যৰ অন্তৰ্ভুক্তকৰণত কিছু বাদ-বিবাদ দেখা যায়। অৰ্থাৎ বুৰঞ্জীক সাহিত্যৰ অন্তৰ্ভুক্তত বহুতৰে প্ৰশ্ন থাকিলেও 'পাদশ্যাহ বুৰঞ্জী'ৰ প্ৰসঙ্গত সূৰ্য্য কুমাৰ

ভূঞাই ক'বৰ দৰে "বুৰঞ্জীৰ কথাখিনি শুকান হাড়-চাল নহয়, তাত ভাৱৰ সমাৱেশ আৰু আবেগৰ সৌৰভ লক্ষ্য কৰিব পাৰি।" অর্থাৎ ভূঞাদেৱৰ মন্তব্যৰ সাৰমর্ম এয়ে যে বিচাৰিব জানিলে বা আয়ত্ব কৰিব জানিলে বুৰঞ্জীৰ ভাষাতো সাহিত্যিক গুণ পাব পাৰি। কাৰণ তাতো প্ৰবাদ, উপমা, উপকথা, দৃষ্টান আদিৰ সমাৱেশ প্ৰচুৰ পৰিমাণে আছে। কেইটামান উদাহৰণ তলত দিয়া হ'ল—

প্ৰবাদ-বচন দৃষ্টান ঃ "একে চুঙ্গত দুটা বাঘ নাথাকে, একে শালত দুটা হাতী নাথাকে। একে পাটত দুটা ৰজা নাথাকে।" (ছেদ ঃ 6)

"তয়ো খোৰা ময়ো খোৰা, লেফেৰা বৰবৰা সিও খোৰা।" (ছেদ ঃ 70)

উপমা ঃ "ই আহম। আক আনৰে সম নহয়।" (ছেদ ঃ 17)

"একে মাৱৰ ল'ৰা যেন সবেও আছিল।" (ছেদ ঃ 2)

জ) সংক্ষিপ্ত বর্ণনাৰীতি বুৰঞ্জী সাহিত্যৰ এটা উল্লেখযোগ্য বৈশিষ্ট্য। এনে সংক্ষিপ্ততাই বর্ণনীয় বিষয়ক আমনিদায়ক কৰাৰ বিপৰীতে পঢ়ুৱৈক বিষয়বস্তুলৈ আকর্ষিত কৰি লৈ অহা বুলিব লাগিব। আলোচ্য বুৰঞ্জীখনতো এনে বৈশিষ্ট্য বহু বর্ণনাত লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে, বুৰঞ্জীখনৰ প্ৰস্তাৱনাৰ পিছতে 'সত্যযুগ'ৰ সৃষ্টিৰ বর্ণনা মাথোন কেইটামান চুটি বাক্যৰ মাজতে পৰিষ্কাৰকৈ বর্ণনা কৰিছে এনেদৰে—

"পূৰ্ব্ব প্ৰলয়ৰ অন্তে ব্ৰহ্মা তিনিবাৰ মানুহ সৃজিব নোৱাৰি লাউ ৰুলে। তাৰ ভিতৰত মানুহ আছিল। একো নেজানে পশু প্ৰায়। তাক দেখি ইন্দ্ৰদেৱে নংফুকনক দেখাই-শুনাই শিকাই-বুজাই আহিব দিলে। প্ৰজাসকলে জানিলে। সত্যযুগত প্ৰীতিয়ে গল। একে মেহেঙ্গাতে খাই একে মাৱৰ ল'ৰা যেন সবেও আছিল।" (ছেদ ঃ 2)

ঝ) আমি ওপৰত উল্লেখ কৰি আহিছোঁ যে বুৰঞ্জীৰ ভাষাৰ এটি উল্লেখযোগ্য দিশ পুৰণি কালৰ কথনভঙ্গীৰ ব্যৱহাৰ। এনে কথাৰীতিৰ ব্যৱহাৰ প্ৰথমখন বুৰঞ্জীৰো এটি মন কৰিবলগীয়া বিশেষত্ব। উদাহৰণ স্বৰূপে,

"নামি অহাতকৈ হৰাপোৱা মানুহতহে াপাহ পায়। সেইবেলাৰ পৰা মানুহ মিহলি হ'ল। তাৰে জীয়তি-পুততি মিত্ৰ কৰিলে। পূৰ্ব্বে আহোতে তিৰুতা অহা নাই। এতিয়াহে তিৰুতা হ'ল।" (ছেদ ঃ 12)

ঞ) আলোচ্য বুৰঞ্জীখনত ৰজা আৰু প্ৰজাৰ মাজৰ মধুৰ সম্পর্কৰ পৰিচয় পোৱা যায় এনেবোৰ বাক্যৰ পৰা— "...আমিয়ো প্ৰজাৰ শীত-উষ্ণ-ক্ষুধা-তৃষ্ণা ব্যসন, প্ৰজাৰ ব্যসনে ৰজাৰ ব্যসন।" (ছেদ ঃ 65)

ট) বুৰঞ্জীৰ লিখনশৈলী বা কথনশৈলীৰ এটা অন্যতম প্ৰধান বৈশিষ্ট্য হ'ল পাচে, আত পাচে, পূৰ্ব্বে, বোলে আৰু আদি শব্দৰে বাক্য আৰম্ভ কৰা ৰীতি। এই ৰীতি *সাতসৰী অসম বুৰঞ্জীৰ* প্ৰথমখন বুৰঞ্জীৰ ক্ষেত্ৰতো এশ শতাংশই প্ৰযোজ্য। যেনে— "পাচে সেইবেলা চোমদেৱ পূজা হ'ল।" "আতপাচে ত্যাওফা-খ্যাতমাথি ৰজা হ'ল।" ইত্যাদি।

ঠ) সংস্কৃতি গন্ধী বাক্যৰ প্ৰয়োগ বুৰঞ্জীখনৰ গদ্যৰীতিৰ আন এটি বিশেষত্ব। যেনে— "শক গ্ৰহ ৰস বিধু চন্দ্ৰ শাকে তদুসঙ্ঞক চুকাফাভিষেক। যাত্ৰা শৃণ্বন্তি বিদবৈধূনা।" (ছেদ ঃ 7)

ড) বুৰঞ্জী লিখাৰ পৰম্পৰা মতে সময় অথবা কাল, দিন-বাৰ, দণ্ড-পলৰ প্ৰয়োগ ৰীতি আলোচ্য বুৰঞ্জীখনৰো বৈশিষ্ট্য। ইয়ে বুৰঞ্জীৰ প্ৰকৃত লক্ষণ নিৰূপিত হৈছে বুলিব পাৰি।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ঃ "জটিল ভাষাৰীতি বুৰঞ্জীৰ এটা বৈশিষ্ট্য।" —হয় নে নহয় ?



চিন্তা-চৰ্চা কৰক - ৪.৬

*সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত প্ৰথমখন বুৰঞ্জীৰ গদ্যৰীতিৰ প্ৰধান বিশেষত্বসমূহ নিৰূপণ কৰক।

৪.৬.৩ সমসাময়িক আহোম ৰাজনীতি আৰু অসমীয়া সমাজ প্ৰেক্ষাপটত বুৰঞ্জীখনৰ ভূমিকা

ওপৰত 'অসমীয়া বুৰঞ্জী সাহিত্য' শীৰ্ষক অংশত বুৰঞ্জী সাহিত্য সৃষ্টিৰ উদ্দেশ্যৰ লগতে বুৰঞ্জীয়ে বহন কৰা বিষয়বস্তু সন্দৰ্ভত কিছু কথা উনুকিয়াই অহা হৈছে। সেই কথা আমি এই আলোচনাতো পুনৰ উল্লেখ কৰিব বিচাৰিছোঁ যে বুৰঞ্জীসমূহৰ ৰচনাৰ প্ৰধান উদ্দেশ্যটোৱে হৈছে ৰাজনৈতিক শিক্ষা প্ৰদান কৰা। অৰ্থাৎ বুৰঞ্জীসমূহ হৈছে ৰাজনৈতিক শিক্ষা লাভৰ উৎকৃষ্ট ক্ষেত্ৰ। অসমৰ বুৰঞ্জী ৰচোঁতাই এই উদ্দেশ্য আগত ৰাখি আহোম ৰাজনীতি অথবা আহোমৰ ৰাজ প্ৰশাসনৰ বিভিন্ন কাম-কাজ, যুদ্ধ-বিগ্ৰহ, মিত্ৰতা-সন্ধি, যুদ্ধ জয়ৰ কৌশল ইত্যাদি প্ৰায় প্ৰতিখন আহোম বুৰঞ্জীত প্ৰকাশ কৰি আহিছে। কিন্তু এটা কথা স্পষ্ট এয়ে যে যদিও বুৰঞ্জীসমূহত এনেবোৰ কথাই প্ৰধানভাৱে ঠাই পাইছে তাৰ মাজতে সমসাময়িক অসমীয়া সমাজখনৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ভৌগোলিক তথা ধৰ্মীয় দিশবো একোখন সুন্দৰ ছবি বুৰঞ্জীসমূহে প্ৰদান কৰি আহিছে। গতিকে বুৰঞ্জীসমূহত ৰাজনৈতিক আৰু সামাজিক দুয়োটা দিশেই সমানে প্ৰতিফলিত হয় বুলি আমি নিশ্চিতভাৱে ক'ব পাৰোঁ। আলোচ্য *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত প্ৰথমখন বুৰঞ্জীতো ৰাজনৈতিক আৰু সামাজিক দুয়োটা দিশেই পৰস্পৰে পৰস্পৰৰ গাত ভেঁজা দিয়ে বুৰঞ্জীখনে সামৰা প্ৰতিটো বিষয়বস্তু প্ৰকাশিত হৈছে। তলত সমসাময়িক আহোম ৰাজনীতি আৰু সামাজিক প্ৰেক্ষাপট সম্পৰ্কত প্ৰথমখন বুৰঞ্জীয়ে লোৱা ভূমিকাৰ বিষয়ে কিছু কথা আলোচনা কৰা হ'ল।

➢ **সমসাময়িক আহোম ৰাজনীতি ঃ** প্ৰথমখন বুৰঞ্জীত ইন্দ্ৰই দুই আপোন নাতি খুনলু-খুনলাইক সোণৰ জখলাৰে পৃথিৱীলৈ নমাই অনাৰ পৰা চুজিন্‌ফা অৰ্জ্জুন দিহিঙ্গীয়া ৰজাৰ ৰাজত্ব কাললৈকে ঘটা বিভিন্ন ৰাজনৈতিক ঘটনা আৰু আহোম ৰাজনীতি সম্পৰ্কে জানিবলৈ বুৰঞ্জীখনত সন্নিৱিষ্ট হোৱা কেতবোৰ ঘটনা উনুকিয়াই চাব লাগিব। প্ৰথমেই আমি উল্লেখ কৰিব লাগিব যে আহোমৰ প্ৰথমজন ৰজা চুকাফাই লগত অনা পণ্ডিতৰ জৰিয়তে বুৰঞ্জী লিখিবলৈ দিয়া নিৰ্দেশতে বংশ আৰু জাতিৰ প্ৰতি থকা চুকাফাৰ দায়িত্ববোধৰ পৰিচয় পাওঁ। চুকাফাৰ তথা আহোমৰ অসম প্ৰৱেশৰ মূল উদ্দেশ্যই হ'ল আহোম ৰাজ্য স্থাপন কৰি আহোমৰ গৌৰৱ প্ৰতিষ্ঠা কৰা। চুকাফাই জানিছিল যে তেওঁৰ লগত অহা কেইশমান মানুহৰ সমৰ্থন আৰু সহায়ত এনে কাৰ্য নিশ্চয় সম্ভৱপৰ নহ'ব, সেয়েহে কৌশলেৰে চুতিয়া, মৰাণ, বৰাহী, কছাৰী আদি লোকক নিজৰ পক্ষত লোৱাই নহয়, বিয়া-বাৰুৰ জৰিয়তে সম্বন্ধ সুদৃঢ় কৰি লৈছিল। আনকি বৰাহীৰ পৰা চাংমাই পৰ্যন্ত নিয়োগ কৰিছিল। প্ৰথমখন বুৰঞ্জীত অনুভূত হোৱা বিভিন্নজন আহোম ৰজাৰ আনকেইটামান ৰাজনৈতিক কূট-কৌশল এই ক্ষেত্ৰত প্ৰণিধানযোগ্য। চুতেওফা ৰজাৰ দিনত ৰজাদেৰে কছাৰী ৰাজ্য কাঢ়ি লোৱাৰ ষড়যন্ত্ৰ কৰি কছাৰীক "ৰাতি নউ পুৱাওঁতে যদি তাৰেপৰা খানি তিনি বেওঁ দ'য় কৰি দিখৌত পেলাব পাৰে, তেহে তোৰ ৰাজ্য।" —বুলি কথাৰ পাক দিলে। ৰজাদেৰে কৌশল কৰি হাবিত বিস্তৰ কুকুৰা মাজনিশা মেলি দি অসময়ত ৰাতিপুৱাৰ উমান দি কছাৰীৰ আত্মসমৰ্পণ আৰু আহোমে কছাৰী ৰাজ্য বশ কৰিলে। কছাৰী পৰাজিত হৈ চাৰিং পালেগৈ। তদুপৰি আহোম ৰজাই যুদ্ধংদেহী চিলাৰায় সন্মুখত লগুণ পিন্ধাই যুদ্ধলৈ পঠিওৱা, বামুণ দেখি চিলাৰায় উভতি যোৱা, জয়ধ্বজ সিংহৰ দিনত মিৰজুমলাই অসম আক্ৰমণ কৰাৰ সময়ত স্বৰ্গদেৰে পেচকচ দিবলৈ সন্মতি জনায় আৰু পেচকচ পাই মোগলৰ অসম ত্যাগ, ডেকাৰজাৰ কূট-কৌশলত সমুখসমৰত তিৰোতা দেখি পিতৃ দিহিঙ্গীয়া ৰজাৰ ওভতনি, পিছত ধন লেহেতিয়াৰ হতুৱাই তিৰোতা সাজ পিন্ধাই ৰজাক হত্যা ইত্যাদি আহোম ৰাজনীতিৰে অংশবিশেষ বুলিব পাৰি। ৰাজ্যৰ সীমা আৰু মানুহৰ বসতি বঢ়োৱাতো আহোম ৰাজনীতিৰ অন্য এটা গুৰুত্বপূৰ্ণ দিশ। উদাহৰণ স্বৰূপে, চুক্লেনমুং গড়গওঁৱা ৰজাৰ দিনত দিখৌৰ দুয়োকাষে হাবি কাটি মানুহৰ বসতি বঢ়োৱা, চুহুংমুং দিহিঙ্গীয়া ৰজাই কৰতোৱা নৈলৈকে ৰাজ্য জয় ইয়াৰেই নামান্তৰ মাথোন। ইয়াৰ উপৰিও গড় নিৰ্মাণ, পূজা-পাৰ্বন, স্তুতি-মিনতি তথা ইষ্ট দেৱতাক প্ৰাৰ্থনা কৰি হ'লেও শত্ৰুৰ হাতৰ পৰা দেশ ৰক্ষা কৰা, বিপদৰ সময়ত বুঢ়গোহাঁই তথা ডা-ডাঙৰীয়া সহিতে আলচ কৰা, কৰ-কাতল প্ৰৱৰ্তন, মোমাই-তামূলীৰ দৰে বিষয়াৰ নেতৃত্বত ৰাজ্য সংগঠন, ৰাজ বিষয়াৰ পদৰ দক্ষতা অনুসৰি অদল-বদল, ডেকেৰা বৰুৱাৰ দৰে ব্যক্তিয়ে ৰজাক প্ৰৰোচনাৰে হত্যা কৰাৰ জৰিয়তে

আহোম ৰাজনীতিত বিষয়াৰে স্বৰ্গদেৱৰ শীতল সংঘৰ্ষ, শেষত গুৱাহটীয়া বুঢ়াগোহাঁই আৰু ফুকনে উজাই ডেবেৰাক নিধন ইত্যাদি আহোম ৰাজনীতিৰ বৈচিত্ৰ্যময় ছবি। মুঠতে ৰাজ্য প্ৰতিষ্ঠাৰ পৰা শত্ৰু নিধনলৈকে, সীমা বঢ়োৱাৰ পৰা কৰ-কাতল প্ৰৱৰ্তনলৈকে আহোম ৰাজনীতিৰবিভিন্ন দিশ প্ৰথমখন বুৰঞ্জীত পুঞ্জীভূত হৈ আছে।

- **সামাজিক প্ৰেক্ষাপট ঃ** আহোমৰ ৰজাসকলে ৰাজ্য প্ৰতিষ্ঠাৰ নামত কেৱল যে শাসনেই কৰিছিল তেনে নহয়, সামাজিক দায়বদ্ধতাৰো পৰিচয় দিছিল। তাৰে ভিতৰত মেছাগড়ত পুখুৰী খন্দা বিশেষভাৱে উল্লেখযোগ্য। মিত্ৰতাৰ চিন স্ৱৰূপে উপঢৌকন হিচাপে বিভিন্ন সোণ-ৰূপৰ অলঙ্কাৰ, হাতী, ঘোঁৰা আদি জীৱ-জন্তু, সোণ-ৰূপৰ টুপী, কাৰফাই ধনু, সোমৰ দণ্ড, সোণৰ খাট, নড়া কাপোৰ ইত্যাদি সম্পদ প্ৰদানৰ প্ৰথা নিশ্চয় সামাজিক উপঢৌকন প্ৰথাৰে নিদৰ্শন। সেই সময়ত অসমীয়া সমাজ তথা আহোম সমাজত পানীত হাত জুবুৰিয়াই শপত খোৱা আৰু অভিশাপ দিয়া ৰীতি প্ৰচলিত থকা প্ৰমাণ আমি এইখন বুৰঞ্জীৰ পৰা পাওঁ। শপতকৰীয়া গাঁৱৰ উৎপত্তি এই শপত খোৱা প্ৰথাৰ পৰাই হোৱা। সেইদৰে অভিশাপ দিয়া প্ৰথাৰ উমান পাওঁ গড়গঞা ৰজাই টংচু বৰবৰাক 'বংশ বৃদ্ধি নহওক' বুলি অভিশাপ দিয়া কথাৰ পৰা। সেইদৰে কুকুৰাৰ ঠেং চাই মঙল চোৱা আৰু মঙলৰ বিধান মতে পালনীয় নীতি-নিয়মৰ কথাও এইখন বুৰঞ্জীয়ে আমাক জানিবলৈ দিয়ে।

  ইষ্ট দেৱতাৰ পূজা অথবা নদ-নদী আদি প্ৰকৃতি পূজা আহোম শাসিত সমাজখনতো আছিল। চুমদেও পূজা, বঙালক খেদিবলৈ মহাদেৱ পূজা, ব্ৰহ্মপুত্ৰ নদীক পূজা বা স্তুতি কৰা অথবা 'ভড়ৰী আই'ক কৰা পূজাৰ বৰ্ণনাৰ পৰা ইয়াৰ উমান পাব পাৰি। সেইদৰে আহোম, নগা, চুতিয়া, বৰাহী, মৰাণ, কছাৰী, ভূঞাকে আদি কৰি ব্ৰাহ্মণ, হাৰি, ডোম, সিন্ধু আদি বিভিন্ন জাতি আৰু উপজাতিৰে তৎকালিন সমাজ পৰিপূৰ্ণ থকাৰ কথাও আমি বুৰঞ্জীখনৰ পৰাই জানিব পাৰোঁ। তদুপৰি ব্ৰাহ্মণ দেখি চিলাৰায়ে যুদ্ধ নকৰি উভতি যোৱা কাহিনীটোৰ পৰা সমাজ পৰিপ্ৰেক্ষিটত ব্ৰাহ্মণৰ স্থানৰ বিষয়ে জানিব পাৰোঁ। একেদৰে কৰ-কাতল দিয়া, সুখৰ কালত উৎসৱ পতা, বিপদ বা দুৰ্যোগৰ সময়ত জ্যেষ্ঠজনৰে সৈতে আলোচনা কৰি সমাধান পথৰ সন্ধান কৰা ইত্যাদি বিভিন্ন সামাজিক চিত্ৰৰ পৰিচয় বুৰঞ্জীখনৰ পৰা পোৱা যায়। গতিকে সমসাময়িক আহোম ৰাজনীতিকে আদি কৰি সামাজিক প্ৰেক্ষাপটত বুৰঞ্জীখনৰ যথেষ্ট ভূমিকা আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ চিলাৰায় কোন ৰাজ্যৰ ৰজা ?



চিন্তা-চৰ্চা কৰক - ৪.৭

প্ৰথমখন বুৰঞ্জীত প্ৰকাশিত আহোম ৰাজনীতিৰ দুটামান কূট-কৌশল বৰ্ণনা কৰক।

৪.৭ *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত দ্বিতীয়খন বুৰঞ্জী

*সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত দ্বিতীয়খন বুৰঞ্জীৰ বিষয়বস্তু সন্নিৱিষ্ট হৈছে আদি ৰজা স্বৰ্গনাৰায়ণৰ পৰা ওপৰজনা দিহিঙ্গীয়া ৰজালৈকে। সময় খ্ৰীষ্টাব্দ 1133ৰ পৰা 1539লৈ। প্ৰথমখন বুৰঞ্জীৰ দৰে দ্বিতীয়খনতো আহোমৰ বিভিন্ন ৰজা আৰু ৰাজবিষয়াৰ ৰাজনৈতিক জীৱনৰ বিৱৰণ তথা কাৰ্যাৱলীৰ লগতে সমসাময়িক সমাজৰ কিছু দিশ উন্মোচন হৈছে। তলৰ ছেদত *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত দ্বিতীয়খন বুৰঞ্জীৰ বিষয়বস্তু আভাস দিয়া হ'ল।

৪.৭.১ দ্বিতীয়খন বুৰঞ্জীৰ বিষয়বস্তু

*সাতসৰী অসম বুৰঞ্জী*ৰ দ্বিতীয়খন বুৰঞ্জী আকাৰত প্ৰথমখনৰ তুলনাত সৰু। ইয়াৰ স্বৰ্গনাৰায়ণ ৰজাৰ ৰাজত্ব কালৰ পৰা বুৰঞ্জীখনৰ মূল বিষয়বস্তুৰ বিৱৰণ আৰম্ভ কৰিছে যদিও স্বৰ্গনাৰায়ণ ৰজাৰ জন্মৰ পূৰ্ব কাহিনী এটাৰ চমু বিৱৰণ দিয়াৰ পিছতহে মূল বিষয়বস্তু আৰম্ভ কৰা হৈছে।

বিৱৰণ মতে সৌমাৰ পীঠৰ দক্ষিণ দিশে দিখৌ নদীৰ তীৰত মুনি বশিষ্ঠৰ উগ্ৰ-তপত শঙ্কিত হৈ ইন্দ্ৰই বশিষ্ঠৰ তপ ভঙ্গৰ কাৰণে নিজে সাহাৰ্য্য হৈ পদ্মিনী কন্যা শ্যামা অপেশ্বৰীক ব্যৱহাৰ কৰিলে। নানা চেষ্টাৰ অন্তত ইন্দ্ৰ আৰু শ্যামা অপেশ্বৰীয়ে গঙ্গাত জলক্ৰীড়া কৰি মুনি বশিষ্ঠৰ তপ ভঙ্গ কৰিলে যদিও মুনিৰ অভিশাপ গঙ্গাকে আদি কৰি শ্যামা অপেশ্বৰী আৰু স্বয়ং ইন্দ্ৰই মূৰ পাতি ল'বলগীয়া হ'ল। সেই অভিশাপ মৰ্মে শ্যামা অপেশ্বৰীয়ে মনুষ্যদেহে জন্ম লৈ চেংডাম নামৰ নড়াৰজাৰ কুঁৱৰী হ'লগৈ। কুঁৱৰীৰ গৰ্ভত জন্ম হ'ল এটি পুত্ৰ সন্তান, নাম থ'লে স্বৰ্গনাৰায়ণ। এই স্বৰ্গনাৰায়ণেই চেংডামৰ মৃত্যুৰ পিছত নড়া ৰাজ্যৰ অধিপতি হয়। বৰনড়াৰ আইফ্ৰান ৰজাই পণ্ডিতৰ হতুৱাই স্বৰ্গনাৰায়ণৰ শাস্ত্ৰ শিক্ষা আৰু নীতি শিক্ষা প্ৰদান কৰিলে আৰু পূৰ্বৰ কথা মতে স্বৰ্গনাৰায়ণলৈ পিতৃ ইন্দ্ৰই উপহাৰ স্বৰূপে দেৱতাৰ অধিষ্ঠান চুমদেৱক দি সযতনে ৰক্ষাৰ পৰামৰ্শ প্ৰদান কৰিলে। কেৱল সেয়ে নহয় ইন্দ্ৰৰে অংশ স্বৰূপ আইফ্ৰান ৰজাৰ সৈতে মিত্ৰতা কৰাৰো পৰামৰ্শ কৰিলে।

স্বৰ্গনাৰায়ণে পিতৃৰ সমস্ত কথা মানি, ধৰ্ম আচৰি ৰাজ্যক প্ৰতিপাল কৰি থাকিল যদিও স্বৰ্গনাৰায়ণ 1077 শকত স্বৰ্গগামী হ'ল। ৰজাৰ মৃত্যুৰ সময়ত তেওঁৰ দুই পুত্ৰ খুন্‌লুং আৰু খুন্‌লাই, মুঙ্গৰিমুঙ্গৰাম পৰ্বততে আছিল। ৰজাৰ মৃত্যুৰ পিছত মন্ত্ৰীসকলে

খুন্‌লুং-খুন্‌লাইক স্বৰ্ণময় জখলাৰে সেই পৰ্বতৰ পৰা নমাই আনি মণ্ডল চাই ৰজা পাতিলে। দুই ভাই খুন্‌লুং-খুন্‌লায়েও প্ৰজাসকলৰ সৈতে প্ৰীতিভাৱে থাকি কতদিনৰ পিছত মুঙ্গৰিমুঙ্গৰামৰ পৰা লাইডাই ৰাজ্যলৈ গুচি যায়।তাত দুয়ো ৰজা হৈ থকাৰ পিছত প্ৰধান ৰজাৰ নিমিত্তে কথা চলাত পাত্ৰ-মন্ত্ৰীসৰৰ বিচাৰত খুন্‌লাই লাইডাইৰ প্ৰধান ৰজা হোৱাত খুন্‌লুং অসন্তুষ্ট হৈ স্বৰ্গলৈ গুচি যায়।

এই খুন্‌লাইৰে বংশধৰ ত্যাওখুন। এই ত্যাওখুনৰ পুত্ৰ চুকাফাৰ জন্ম হয় 1117 শকত। চুকাফাই ৰজা হৈ কিছুদিন কটোৱাৰ পিছত বৰাবৰুকৰে আলচ কৰি তেওঁৰ ভাতৃ "চুখ্ৰাংফা ঠাইতে থাকোঁক, মঞিঃ ভাটি ৰাজলৈ যাওঁ" বুলি ভটিয়াই আহিল। লগত লৈ আনিল চোমদেও আৰু চেংদেও মূৰ্তি। বিস্তৰ পথ অতিক্ৰমি আহি নামজাং বিলৰ কাষত উপস্থিত হৈ ডাঙ্গৰীয়াবোৰক নগাৰ গাঁও আক্ৰমণ কৰিবলৈ আদেশ দিলে। চুকাফাৰ পৰাক্ৰমত নগা ভাগি পলাল। লাহে লাহে তাৰ পৰা আগবাঢ়ি আহি নামৰূপ পালেহি। তাৰ পিছত দিহিঙ্গে ভটিয়াই তিপাম পালেহি। তাৰ পিছত শলগুৰি, হাবুঙ্গ, দিখৌমুখ, দিলিহৰ মুখ, চংটকৰ মুখ আৰু শিমলুগুৰিত ৰ'লহি। শিমলুগুৰিত দুটা বছৰ থকাৰ পিছত নাকুৰীদেৰৰ ঘৰৰ পৰ্বতৰ আশে-পাশে ঘূৰি ফুৰোঁতে চুকাফাৰ চাৰিজন মানুহে উশৃত খাটৰ ওপৰত ডাঢ়ি-গোঁফ পকা বৰ ভয়ানক জঁটাধাৰী পুৰুষক লগ পায়। এই জঁটাধাৰী পুৰুষৰ পৰামৰ্শ মতেই সেই পৰ্বততে সিদিনাৰ পৰা মহাদেৰ পূজা আৰম্ভ কৰিলে। ইয়াতেই ৰজাদেৰে বৰাহীক ভাতৰন্ধা চাংমাই হিচাপে নিয়োগ কৰি লগতে ৰাখিলে। পিছে 1190 শকত 42 বছৰ ৰাজভোগ খোৱাৰ পিছত চুকাফাৰ মৃত্যু হ'ল। তেওঁৰ মৃত্যুৰ পিছত পুত্ৰ ত্যাওলুং চুতাফ্ৰা অৰ্থাৎ চুতেউফা ৰজা হ'ল। এওঁ 11 বছৰ ৰাজপাট খোৱাৰ পিছত 1203 শকত স্বৰ্গী হ'ল। চুতাফ্ৰাৰ মৃত্যুৰ পিছত তেওঁৰ পুত্ৰ ত্যাওলুংত্যাও চুখ্ৰাফা ৰজা হ'ল। ৰজা হৈয়ে কমতেশ্বৰৰ সৈতে যুদ্ধ লাগিল। পিছে কমতেশ্বৰে বলে নোৱাৰি বয়বস্তু আৰু কমতেশ্বৰৰ সুন্দৰী ভনী ৰাজনীক দি আহোমৰে মিত্ৰতা কৰিলে। তাৰ মাজতে ৰজাৰ সৈতে বৰগোহাঁইৰ বিৰোধ লাগে। ৰজা চুখ্ৰাংফাৰ মৃত্যুৰ পিছত ৰাজ্য ছয় বছৰ কাল অৰাজ্য হৈ পৰিছিল। সেয়ে তাৰ পৰিত্ৰাণৰ বাবে মন্ত্ৰীসকলে লাহনজি নগৰা গাঁৱৰ পৰা ৰাজাৰ বংশী ত্যাওলুংচুতামফ্ৰাক আনি 1291 শকত চম্পাগুৰিত ৰজা পাতে। এওঁৰ পিছত ত্যাওখামথি ৰজা হয়। এওঁৰ পাছৰ আঠটা বছৰ ৰাজ্য অৰাজ্য হৈ পৰে। তাৰ পিছত চুডাংফা বামুণী কোঁৱৰক লোহিতৰ সিপাৰৰ পৰা আনি ৰজাৰ গোষ্ঠী যেন জানি 1320 শকত চৰগুৱাত ৰজা পাতে। ৰজা হৈ চুডাংফাই নাম ল'লে ত্যাওফ্ৰছুডাং। এইজন ছুডাং মহাৰাজে বঙ্গালক কমতেশ্বৰৰ সহিতে হৰুৱাত ছুডাং মহাৰাজলৈ কমতেশ্বৰেও ভনী-ভাজনীক বিয়া দি মিত্ৰতা কৰে। ছুডাং মহাৰাজে সেই কন্যাক প্ৰদান মহিষী পাতে। 1330 শকত এইজনা ছুডাং মহাৰাজৰ মৃত্যু হয়। এওঁৰ মৃত্যুৰ পাছত পুতেক চুজাংফা ৰজা হয়। 1344 শকত চুজাংফাৰ মৃত্যুৰ পিছত তেওঁৰে বংশ জাত ত্যাওফাচুফুক ৰজা হয়। 16 বছৰ ৰাজভোগ খোৱাৰ

পিছত 1360 শকত ৰজা চুফুকফাৰো মৃত্যু হয়। এওঁৰ মৃত্যুৰ অন্তত পুতেক চুচেন্‌ফা ৰজা হয়।এওঁৰ দিনত নগাৰ সৈতে হোৱা যুদ্ধত মহাৰাজ চুচেন্‌ফা পৰাজিত হয়। 1409 শকত ত্যাওফা চুচেন্ ৰজা স্বৰ্গী হোৱাত এওংৰ পুত্ৰ চুহেনফা ৰজা হয়। চুহেন্‌ফাৰ ৰাজত্ব কালত কছাৰীৰ সৈতে হোৱা ৰণত অনেক আহোমৰ মৃত্যু হ'লেও আলোচনাৰে কছাৰীক জিনিবলৈ সক্ষম হয়।কিন্তু টাই তুৰ্বানআহোমৰ চক্ৰান্তত ৰজা চাৰি বছৰ ভোগ কৰিয়ে মৃত্যু বৰণ কৰিবলগীয়া হয়। তেওঁৰ মৃত্যুৰ পিছত তেওঁ পুত্ৰ চুপিম্‌ফা ৰজা হয়। এওঁৰো ৰাজৰোগ চাৰি বছৰ। এওঁৰ মৃত্যুৰ পিছত বৰবৰুকে আলচ কৰি পৰ্বতৰ পাটত চুকাঙ্গক ৰজা পাতে। ৰজা হৈ চুকাঙ্গই চুহুম নাম লয় আৰু 1424 শকত দিহিঙ্গত নগৰ পাতে। এইজনেই ওপৰজনা দিহিঙ্গীয়া ৰজা। এওঁৰ দিনত চুতিয়াৰে সৈতে হোৱা ৰণত চুতিয়াক বশ কৰে। অৱশ্যে চুতিয়াৰ সৈতে পিছত সন্ধি হয়। কিন্তু চুতিয়াৰ লগত পুনৰ ৰণ লাগে; সেই ৰণতে চুতিয়া আহোমৰ হাতত বশ হয়। মহাৰাজে চুতিয়াৰ সৈতে যুদ্ধ জিনি সুবৰ্ণৰ দণ্ড, পাট, মেকুৰী, ছত্ৰকো পাই জয়ঢোল পজাই উৎসৱ পালিলে। ইফালে লড়া ৰজায়ো আহি মহাৰাজত আঁঠু লৈ আত্মসমৰ্পণ কৰিলে। ইপিনে কছাৰীৰ সৈতে ৰণ লাগিল। এবাৰ নহয় দুবাৰকৈ সীমা নিৰ্ণয়ৰ পৰীক্ষাও চলিল। সফল নহৈ পুনৰ কছাৰীৰে আহোমৰ যুদ্ধ লাগিল। পিছে বহুদিন কাৰো সৈতে কাৰো হাৰ-জিত নাই। গড় বান্ধি কৰা যুঁজত কছাৰী ভাগিল। কিন্তু কছাৰীক ধৰিব নোৱাৰিলে। সেয়ে বৰা-বৰুকে আলচি ক'লে— "কছাৰীক নাপালোঁ নাওবাটে তৰবাটে।" ইয়াতেই দ্বিতীয়খন বুৰঞ্জীৰ বিষয়বস্তুৰ সামৰণি পৰে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ আহোমৰ কোনজন ৰজাক ওপৰজনা দিহিঙ্গীয়া ৰজা বোলে?



চিন্তা-চৰ্চা কৰক - ৪.৮

*সাতসৰী অসম বুৰঞ্জী*ৰ দ্বিতীয়খন বুৰঞ্জীৰ বিষয়বস্তুৰ আভাস দিয়ক।

৪.৭.২ দ্বিতীয়খন বুৰঞ্জীৰ গদ্যৰীতি

বুৰঞ্জীৰ গদ্যৰীতিৰ এটি সাধাৰণ আভাস প্ৰথমখন বুৰঞ্জীৰ গদ্যৰীতিৰ আলোচনা প্ৰসঙ্গতে দি অহা হৈছে। আমি ইয়াত কেৱল দ্বিতীয়খন বুৰঞ্জীত দেখিবলৈ পোৱা গদ্যৰীতিৰ বিশেষত্বসমূহহে উল্লেখ কৰিম। এটা কথা এইখিনিতে জানি থোৱা ভাল যে প্ৰথমখন বুৰঞ্জীৰ গদ্যৰীতিৰ বিচাৰৰ দৰে এইখনৰ গদ্যৰীতিৰ বিচাৰো বুৰঞ্জী

সাহিত্যৰ সামগ্ৰিক গদ্যৰীতিৰ আধাৰতে কৰা হ'ব। বিশেষত্বসমূহ তলত উল্লেখ কৰা হ'ল—

ক) অনাড়ম্বৰ সৰল বৰ্ণনা অসমীয়া সাহিত্যৰ যিকোনো এখন বুৰঞ্জীৰে গদ্যৰীতিৰ প্ৰধান বৈশিষ্ট্য।এনে সৰল বৰ্ণনাই যিকোনো জটিল বিষয়ৰ বৰ্ণনাও পাঠকে বুজিবলৈ সহজ হৈ পৰে। এই ৰীতি আলোচ্য বুৰঞ্জীখনৰো অন্যতম বিশেষত্ব। যেনে— "পাচে কেদিনা টাই-তুৰবান আহোমে এক গৃহস্থৰ ধান্য চুৰি কৰিলে। পাচে সেই আহোমক চোৰ ধৰিলে, ৰাজাত যোগালে। পাচে ৰাজা সকলো আহোমক মাতি আইনলে মিচঙ্গ আওতাবলৈ। সেই লগতে তুৰবান আহোমো বাঁহৰ ভিতৰত যাঠি এগছ আনিছিলে। মহাৰজাও সেই টুপতে বমিলে। পাচে ছেগ চাই যাঠি উলিয়াই ৰজাক খুচি মাৰিলে।" (ছেদ ঃ 129)

খ) সংক্ষিপ্ত বৰ্ণনা ৰীতি আন বুৰঞ্জীৰ দৰে এইখন বুৰঞ্জীৰো প্ৰধান লক্ষণ। সংক্ষিপ্ত বৰ্ণনাৰ বাবে লেখকে পায়ে চুটি চুটি বাক্যৰ আশ্ৰয় লোৱা দেখা যায়। যেনে— "ভাল, এনেজনেৰে প্ৰীতি কৰিবহে লাগে। আৰে বিস্তৰ কথা হবলৈকো আছে আগলৈ। কমতেশ্বৰো মিত্ৰৱতী কৰিবাৰ যোগ্য।" (ছেদ ঃ 120)

গ) একেটা বাক্যত বহু সৰু সৰু বাক্য সুমুৱাই বিষয়বস্তু বৰ্ণনা কৰা ৰীতি বুৰঞ্জীৰ আন এটা অন্যতম প্ৰদান লক্ষণ। দ্বিতীয়খন বুৰঞ্জীতো এই লক্ষণ বিদ্যামান। যেনে— "তাৰ বৰকুঁৱৰীকো ধৰি আনিলে, আৰু সোণৰ দণ্ড, খাট, মেকুৰীকো, আৰু যি পালেমানে সকলোকে আনিলে।" (ছেদ ঃ 134)

ঘ) চুটি বাক্যৰ দৰে দীঘল বাক্যও বুৰঞ্জীখনত দেখা যায়। উদাহৰণ স্বৰূপে, "সপোন মতে মন্ত্ৰীত্ৰ বৰাবৰুক লোকজন সহিতে সমালোচনা কৰি পালীপহৰীয়া দি সেই চাঙ্গতে ৰাজাৰ মহিষীক চাৰিটা বেটী লগত দি সেই উশৃত স্থলত নি প্ৰবন্ধে কৰি থলে।" (ছেদ ঃ 105)

ঙ) নাটকীয় কথনভঙ্গী অৰ্থাৎ প্ৰত্যক্ষ উক্তি-প্ৰত্যুক্তিৰে বৰ্ণনীয় বিষয় নাটকীয় কৰি তোলা ৰীতি আন আন বুৰঞ্জীৰ দৰে এইখন বুৰঞ্জীৰো এটি উল্লেখযোগ্য বৈশিষ্ট্য। যিয়ে বৰ্ণনীয় বিষয়ক নাটকীয় কৰি তোলাই নহয় সজীৱতাও প্ৰদান কৰিছে। উদাহৰণ— "ইনো কোন্?" এই বুলি সুধিলে। বুঢ়াগোঁহাইৰ পুতেকে বোলে— "আমি দুয়ো বুঢ়াগোঁহাইৰ ল'ৰা।" (ছেদ ঃ 116)

চ) জঁতুৰা খণ্ডবাক্য আৰু প্ৰবাদ প্ৰবচনো বুৰঞ্জীখনত লেখকে ব্যৱহাৰ কৰি সাহিত্যিক গুণ দিয়াৰ চেষ্টা কৰিছে বুলিব লাগিব। এনে সাহিত্যিক উপাদানৰ ব্যৱহাৰে এফালে বুৰঞ্জীৰ গদ্যক সাহিত্যিক গুণসম্পন্ন কৰি তুলিছে আৰু আনফালে পুৰণি মাত-কথাৰ ভঙ্গিমাকো ব্যক্ত কৰাৰ প্ৰয়াস কৰিছে। তলৰ বাক্যশাৰী, ইয়াৰ উপযুক্ত উদাহৰণ— "যদি মহাৰাজৰ বল-বীৰ্য্য টুটিলেহে তহঁতে কাটিবাক ভাল। জুই আঙ্গনি পৰুৱায়ে ৰাতিক দিন কাহানি কৰে? আমাৰ কথাৰে কাহানি মহাৰাজা তোমাৰ

ৰাজ্য মাৰিছে? ইন্দুৰৰ মুখত কাহানি হস্তীদন্ত গাজে? ইন্দুৰৰ পথে কাহোনি হস্তী অহা-যোৱা কৰে? বানৰ মুখে কি নাৰিকল ভাগে?" (ছেদ ঃ 139)

ছ) বিভিন্ন ভাৱৰ বাক্যৰ ভিতৰত আদেশমূলক, উপদেশ তথা নীতিশিক্ষামূলক বাক্য প্ৰথমখন বুৰঞ্জীৰ লেখীয়াকৈ এইখনৰো আছে। যেনে—

আদেশাত্মক বাক্য ঃ "তই একো নামাতিবি। যিতিয়া আমি জয়ঢোল কোবাওঁ তেতিয়া তই বুলিবি।" (ছেদ ঃ 138)

নীতিশিক্ষা তথা উপদেশমূলক বাক্য ঃ "তহঁতে প্ৰীতিয়েৰে থাকিবি, কন্দল নকৰিবি, একেলগে চুলা বান্ধিবি, অধৰ্ম্ম নকৰিবি, ৰাজ্যক প্ৰতিপাল পুত্ৰৰতে কৰিবি।" (ছেদ ঃ 110)

জ) আমি প্ৰথমখন বুৰঞ্জীৰ গদ্যৰীতিৰ প্ৰসঙ্গত আৰু বুৰঞ্জী সাহিত্যৰ আলোচনা প্ৰসঙ্গত পুৰণি অসমৰ তথা আহোমসকলৰ সৰ্বসাধাৰণ লোকৰ মাত-কথা প্ৰয়োগৰ উপযুক্ত নিদৰ্শন যে একমাত্ৰ বুৰঞ্জীসমূহ সেই কথা উল্লেখ কৰি আহিছোঁ। দ্বিতীয়খন বুৰঞ্জীতো ইয়াৰ নিদৰ্শন স্পষ্ট। উদাহৰণ স্বৰূপে, "মঞি শুদা মানোহ নহওঁ, ডাঙ্গৰীয়া বুঢ়াগোঁহাই হওঁ। মোৰ মৰণ সময় হ'লে, দুই পুতেকৰ 35 বৎসৰ 14 বৎসৰ হ'লে, এই হেঙ্গদান দেখাই মহাৰাজৰ লগ লবিগৈ, তেহে আমাৰ বাচন লাগে। এতেকে মহাৰজা প্ৰমাণ পাই তহঁতক লগত ল'ব, ভাল মানুহ কৰি ৰাখিব।" (ছেদ ঃ 116)

ঝ) বুৰঞ্জীৰ গদ্যৰীতিৰ স্বাভাৱিক বৈশিষ্ট্য শক, মাহ, দণ্ড, পলৰ ব্যৱহাৰ এইখন বুৰঞ্জীতো আছে। যেনে— "লাক্লি ৰুংচেও 1409 শকত জেহ মাসত ত্যাওফাচুচেন ৰজা স্বৰ্গী হ'ল।" (ছেদ ঃ 128)

ঞ) পাচে, আৰ পাচে, আত পাচে আদি শব্দাংশৰে বাক্য আৰম্ভ কৰা ৰীতি আন বুৰঞ্জীৰ দৰে এইখনৰো গদ্যৰীতিৰ এটি বৈশিষ্ট্য।

ট) বুৰঞ্জীখনৰ ভাষা যদিও অসমীয়া অথবা বাক্য গঠন আৰু কথোপকথন ৰীতি অসমীয়া তথাপি বুৰঞ্জীখনত প্ৰচুৰ পৰিমাণে তৎসম, তদ্ভৱ, আহোম শব্দ, হিন্দী আদি শব্দৰো প্ৰয়োগ মন কৰিবলগীয়া। তেনে কেইটামান শব্দৰ উদাহৰণ হ'ল—

তৎসম শব্দ ঃ ইন্দ্ৰ, ঋষি, স্নান, দ্বন্দ্ব, ক্ৰীড়া, মনুষ্য, কৰ্ম্ম, ধৰ্ম্ম, শাস্ত্ৰ, স্বৰ্গদেৱ, দেৱৰাজ, সুবৰ্ণ, পণ্ডিত, বৎসৰ, স্বপ্ন, বীৰ্য্য, হস্ত ইত্যাদি।

আহোম বা টাই ভাষাৰ শব্দ ঃ চুমদেও, চুকাফা, তিপাম, লাক্লি, প্লেকচেও, মুঙ্গৰিমুঙ্গৰাম, মুংখুং, মুংখন, মুংমাও, বাণতাও, দইবাঙ্গৰ, মুংকেও, কানপুঙ্গ, ত্যাওলুং, কাপচিঙ্গা, চুখ্ৰাফা, তামৰাও, ট্যাতিপাম, থাওমুংলুং, জংমুঙ্গ ইত্যাদি।

হিন্দী ঃ সমাচাৰ।



চিন্তা-চৰ্চা কৰক - ৪.৯

দ্বিতীয়খন বুৰঞ্জীৰ গদ্যৰীতি প্ৰধান বিশেষত্বসমূহ উল্লেখ কৰক।

৪.৬.৩ সমসাময়িক আহোম ৰাজনীতি আৰু অসমীয়া সমাজ প্ৰেক্ষাপটত বুৰঞ্জীখনৰ ভূমিকা

*সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত প্ৰথমখন বুৰঞ্জীত যিদৰে সমসাময়িক আহোম ৰাজনীতিৰ বিভিন্ন দিশৰ প্ৰতিফলন ঘটিছে, দ্বিতীয়খন বুৰঞ্জীতো আহোম ৰাজনীতিৰ বিভিন্ন কথা উন্মোচিত হৈছে। তদুপৰি প্ৰথমখনৰ দৰে দ্বিতীয়খনতো সমাজত প্ৰচলিত কেতবোৰ ৰীতি-নীতি তথা নিয়ম-কানুনৰ প্ৰতিচ্ছবি প্ৰতিফলিত হোৱা দেখা যায়। অৱশ্যে প্ৰথমখনৰ তুলনাত কম কলেবৰৰ দ্বিতীয়খন বুৰঞ্জীৰ বিষয়বস্তু অথবা বৰ্ণিত ঘটনাৱলীৰ পৰিসৰ কিছু সীমিত।কিন্তু কম কলেবৰৰ হ'লেও ৰাজনীতি আৰু সমাজনীতি দুয়োটা দিশকে ৰচোঁতাই বৰ্তাই ৰখাৰ চেষ্টা কৰিছে। আদি ৰজা স্বৰ্গনাৰায়ণৰ পৰা চুহুংমুং দিহিঙ্গীয়া ৰজা অৰ্থাৎ ওপৰজনা দিহিঙ্গীয়া ৰজালৈকে বিস্তৃত বিষয়বস্তুৰ মাজেৰে সমসাময়িক আহোম ৰাজনীতি আৰু সমাজ পৰিপ্ৰেক্ষিটত বুৰঞ্জীখনৰ ভূমিকা সম্পৰ্কে তলত চমুকৈ আলোচনা কৰা হ'ল—

- **সমসাময়িক আহোম ৰাজনীতি ঃ** প্ৰথমখন বুৰঞ্জীৰ দৰে দ্বিতীয়খন বুৰঞ্জীয়েও আমাক জানিবলৈ দিয়ে যে আহোমৰ পূৰ্বপুৰুষ ইন্দ্ৰবংশী। ৰচোঁতাই 'শ্ৰীশ্ৰীস্বৰ্গনাৰায়ণ মহাৰজাৰ আখ্যানে'ৰে সেই কাহিনী অৱতাৰণা কৰিছে। এই স্বৰ্গনাৰায়ণৰে দুই পুত্ৰ ইন্দ্ৰৰ নাতি খুন্লুং আৰু খুন্লাই। খুন্লুং-খুন্লায়ে মুঙ্গৰিমুঙ্গৰামত হোলাঙ্গঘৰ সাজি ৰজাৰ নগৰ পাতি ৰাজশাসন কৰিলেও দুই ভাতৃৰ মাজত ৰজা হোৱাক কেন্দ্ৰ কৰি কন্দল হ'লত পাত্ৰ-মন্ত্ৰীৰ বিচাৰত খুন্লাই ৰজা হৈ বহাত খুন্লুঙ্গে স্বৰ্গ গমন কৰিলে। গতিকে লাইডাই ৰাজ্যত প্ৰধান ৰজা হ'ল খুন্লাই। বুৰঞ্জীখনৰ আৰম্ভণিতে দুই ভাতৃৰ কন্দল আৰু পাত্ৰ-মন্ত্ৰীসকলৰ আলোচনা-সমালোচনাৰ পৰা আহোম ৰাজনীতিৰ উক্মুকনিৰ উমান পোৱা যায়। সেয়েহে হয়তো পিছৰ কালৰ ৰজা তাওখুনকোমে আপোন বংশৰ মানুহক নিজকে ধ্বংস কৰাৰ পৰা ৰক্ষা পাবলৈ "তহঁতে প্ৰীতিয়েৰে থাকিবি, কন্দল নকৰিবি... ৰাজ্যক প্ৰতিপল পুত্ৰৱতে কৰিবি।" বুলি নীতি বাক্য দি স্বৰ্গী হৈছিল। গতিকে ৰাজ্যক পুত্ৰৱতে পালন কৰিব দিয়াতেই ৰজা আৰু প্ৰজাৰ দায়িত্ববোধৰ কথাকে সোঁৱৰাই দিয়ে। অসমত প্ৰৱেশ কৰা আহোমৰ প্ৰথমজন ৰজা চুকাফা খুন্লুং-খুন্লাইৰে বংশধৰ। ত্যাওখুনৰ পুত্ৰ চুকাফাই নগাক জিনি দিহিং পাৰ হৈ তিপামত উপস্থিত হয়। লাহে লাহে চল বুজি আৰু স্থানীয় মানুহৰ গতিবিধি চাই নিজৰ অধিকাৰ বঢ়াই লয় শলগুৰি, দিখৌমুখ, দিলিহৰ মুখ, চংটক, শিমলুগুৰি আদিত। স্বৰ্গদেউ চুকাফাই বৰাহীক ভাতৰন্ধা চাংমাই কৰি লোৱাৰ চলেৰে বৰাহীৰো আস্থা লাভ কৰে। চুকাফাৰ পৰৱৰ্তী ৰজাসকলৰ দিনত কমতাৰে মিত্ৰতা হৈ চুবুৰীয়া ৰাজ্যৰসৈতে নিষ্কণ্টক হৈ থকা চেষ্টাই আহোম শাসনৰ কৌশলৰ পৰিচয় পোৱা যায়। এই একে কৌশলৰ চেষ্টাৰে চুহেন্ফা ৰজাৰ দিনত

হোৱা কছাৰীৰ ৰণত মিত্রভাৱেৰে কছাৰীক আৰু চুহুংমুং দিহিঙ্গীয়া ৰজাৰ দিনত চুতিয়াৰ সৈতে হোৱা ৰণত চুতিয়াকো জিনে আৰু নৰা ৰজায়ো আত্মসমর্পণ কৰিবলৈ বাধ্য হয়। অৱশ্যে শেষৰফালে আহোম কছাৰীৰ ৰণত কছাৰীক ধৰিব পৰা নগ'ল।

আহোমৰ শাসন ব্যৱস্থাত ৰাজদ্রোহীতাৰ শাস্তিৰ বিধান যে মৃত্যু সেই কথাৰ উমান পাওঁ তুৰবান আহোমে চল কৰি চুহেন্‌ফা স্বর্গদেৱক হত্যা কৰাৰ ফলস্বৰূপে বৰা-বৰুৱাবোৰে তুৰবানক ৰাজদ্রোহীতাৰ অপৰাধত প্রাণে মৰা ঘটনাৰ পৰা। এনে ৰাজদ্রোহীতাৰ চৰম শাস্তিৰ কথা আমি বুৰঞ্জীখনৰ পৰাই জানিব পাৰোঁ। এনেবোৰ ঘটনাৱলীৰ উপৰিও কছাৰীৰ সৈতে আহোমৰ সীমা নির্ধাৰণ, আহোমৰ নতুন বিষয়া পদ প্রৱর্তন, ইখন ৰাজ্যৰ সৈতে সিখন ৰাজ্যৰ মাজত যিকোনো ৰাজনীতি বিষয়ক আলোচনাৰ বাবে কটকী প্রেৰণ ইত্যাদি আহোম শাসনৰ উল্লেখনীয় দিশ।

- **সামাজিক প্রেক্ষাপট ঃ** এইখন বুৰঞ্জীত প্রথমখনৰ তুলনাত চুটি কলেবৰৰ যদিও কেতবোৰ সামাজিক দিশৰ তথ্য কালগত তথা যুগভিত্তিকভাৱে প্রকাশিত হৈছে। অৱশ্যে বুৰঞ্জীখনত সামাজিক চিত্রৰ প্রতিফলন কিছু কম।কিন্তু স্বর্গনাৰায়ণৰ জন্মৰ আগৰ কালছোৱাৰ বর্ণনা যি কাহিনীৰ সমাৱেশেৰে আৰম্ভ কৰিছে, সিয়ে যিকোনো পাঠকৰে মন আকর্ষণ কৰিব পাৰে। বিশেষকৈ মুনি বশিষ্ঠই ইন্দ্র সমন্বিতে শ্যামা অপেশ্বৰীক বর্ষণ কৰা অভিশাপ, ইন্দ্রৰ সৈতে পুত্র স্বর্গনাৰায়ণৰ বার্তালাপ, স্বর্গনাৰায়ণৰ হাতত ইন্দ্রৰ চুমদেৱ প্রদান,পূজাৰ বিধি প্রদান আৰু নীতিশিক্ষা প্রদান ইত্যাদি সকলোবোৰ কথাই সামাজিক প্রেক্ষাপটত আলোচনা কৰিব পাৰি।

আহোম শাসনৰ প্রৰাম্ভতে অর্থাৎ চুকাফাৰ সময়তে মহাদেৱ পূজাৰ বিধান আৰম্ভ হোৱা কথাৰ উমানো পোৱা যায়। জঁটাধাৰী পুৰুষ এজনৰ নির্দেশতে এই পূজাৰ আৰম্ভ হয়। প্রথমখনৰ দৰে এইখন বুৰঞ্জীতো শপত খোৱা (পানীত হাত জুবুৰিয়াই), উৎসৱ-পার্বণ বিশেষকৈ সুখৰ কালত উৎসৱ উদ্‌যাপনেৰে মনৰ আনন্দ প্রকাশ কৰা ইত্যাদি নানা দিশৰ চিত্র বুৰঞ্জীখনৰ পৰা লাভ কৰিব পাৰোঁ।

গতিকে ৰাজনীতিৰ লগতে সমসাময়িক অসমীয়া সমাজৰ সামাজিক ৰীতি-নীতি, আচাৰ-আচৰণ বর্ণনাৰ ক্ষেত্র হিচাপে বুৰঞ্জীখনৰ এক সুকীয়া মূল্য লক্ষ্য কৰিব পাৰি।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১০ ঃ ৰৰাহীক চাংমাই হিচাপে কোনজন আহোম ৰজাই নিযুক্তি দিছিল ?

৪.৮ অসমীয়া বুৰঞ্জী সাহিত্যত *সাতসৰী অসম বুৰঞ্জী*ৰ স্থান

*সাতসৰী অসম বুৰঞ্জী*অসমীয়া বুৰঞ্জীৰ সাহিত্যৰ ইতিহাসত এখন উল্লেখযোগ্য বুৰঞ্জী। সূর্য্য কুমাৰ ভূঞা সম্পাদিত সাতখন ভিন্ ভিন্ বুৰঞ্জীৰ সমষ্টি *সাতসৰী অসম বুৰঞ্জী* নামটো সম্পাদকৰ নিজা। এই কথা আমি ওপৰত উল্লেখ কৰি আহিছোঁ। অসমত আহোম ৰাজত্বৰ কালছোৱাত ৰচিত বুৰঞ্জী কেইখনৰ আটাইকেইখনৰে ঘটনাৱলীৰ কাল ভিন্ন সময়ৰ। আমি বুৰঞ্জী কেইখনৰ পৰা আহোম ৰাজত্ব কালৰ বিভিন্ন ৰজাৰ ৰাজনৈতিক শাসন প্ৰণালী আৰু যুদ্ধ-বিগ্ৰহৰ বিৱৰণৰ বিষয়ে জানিব পাৰোঁ। বুৰঞ্জী ৰচনাত মূল উপজীব্য যদিও ৰাজনৈতিক ঘটনাৱলী তথাপি সেই সময়ৰ সামাজিক, আধ্যাত্মিক, অর্থনৈতিক আৰু ভৌগোলিক অৱস্থাৰো কিছু আভাস আমাক বুৰঞ্জী কেইখনে দিয়ে। তদুপৰি বিভিন্ন স্বৰ্গদেউৰ দিনত হোৱা সাহিত্য চৰ্চা সম্পৰ্কেও কিছু কথা জানিব পাৰোঁ। গতিকে আনবোৰ বুৰঞ্জীৰ দৰে *সাতসৰী অসম বুৰঞ্জী*ও অসমীয়া বুৰঞ্জী সাহিত্যত এক সুকীয়া স্থান সদায় আছে।

*সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত প্ৰথমখনবুৰঞ্জীৰ পৰা শেষৰ অর্থাৎ সপ্তমখন বুৰঞ্জীলৈকে সময়ৰ বিস্তৃতি ধাৰাবাহিক নহয় যদিও অথবা একেজন ৰজা বা একেটা ঘটনা একাধিক বুৰঞ্জীত সন্নিৱিষ্ট হ'লেও বুৰঞ্জী কেইখনৰ ঘটনাৰাজি অধ্যয়ন কৰিলে ঘটনাৰ ধাৰাবাহিকতা নিজে উলিয়াই ল'ব পাৰি। অর্থাৎ এইকেইখন বুৰঞ্জী অধ্যয়নৰ জৰিয়তেই আহোমৰ পূর্বপুৰুষৰ পৰা অসমত আহোম ৰাজত্বৰ পৰিসমাপ্তিলৈকে এটি সামগ্ৰিক আভাস পাব পাৰি। এইপিনৰ পৰাও বুৰঞ্জী কেইখনৰ মূল্য অপৰিসীম। তলত *সাতসৰী অসম বুৰঞ্জী*ত সন্নিৱিষ্ট আটাইকেইখন বুৰঞ্জীৰ ঘটনাৱলীৰ এটি চমু ধাৰণা দিবলৈ যত্ন কৰা হ'ল।

প্ৰথমখন বুৰঞ্জীৰ সময় ইন্দ্ৰৰ দুই আপোন নাতি খুন্লুং-খুন্লাইৰ পৃথিৱীত সোণ-ৰূপৰ জখলাৰে পদার্পণৰ পৰা চুজিন্ফা অর্জ্জুন দিহিঙ্গীয়া ৰজাৰৰাজত্ব কাললৈকে বিভিন্ন ৰজাৰ দিনত ঘটা ঘটনাৱলীৰ বিৱৰণ সন্নিৱিষ্ট হৈছে। এইখন বুৰঞ্জীতে চুকাফাই তেওঁৰ লগত অহা পণ্ডিতক বুৰঞ্জী লিখিবলৈ আদেশ কৰাৰ কথা গম পাওঁ। তদুপৰি আহোমসকল যে মানুহৰ বংশজাত নহয়, দেৱতাৰহে বংশজাত অর্থাৎ আন মানুহৰ সমপর্যায়ৰ নহয় তাৰো উমান পাওঁ— "আনৰ বঙ্গহ নহয়। দেও মানুহ বুলি কলেহি, স্বৰূপে হয়। ই আহম। আক আনৰে সম নহয়।" (ছেদ ঃ 17) ৰাজনৈতিক ঘটনাৱলীৰ ভিতৰত চুতিয়া, মৰাণ, বৰাহী, কছাৰীৰ আহোমত লগ লাগে আৰু আহোমসকলেও বিয়া-বাৰুৰ জৰিয়তে তেওঁলোকৰ লগত সম্বন্ধ সুদৃঢ় কৰি আহোম শক্তি বৃদ্ধি কৰে। ইয়াৰ উপৰিও মৰাণ ৰজা থাপিথুমাৰ পৰামর্শত দেওঘৰৰ ওচৰত চুকাফাৰ নগৰ স্থাপন, চুকাফাৰ মৃত্যু, ত্যাওখামথি ৰজাৰ অত্যাচাৰ, চুচেঙ্গৰ ৰাজপাত, পর্যায়ক্ৰমে চুতিয়া, কছাৰী আৰু ভূঞাসকল আহোম ৰজাৰ দ্বাৰা বশ, চুহুংমুঙৰ সৈতে পুতেক গড়গঞা ৰজাৰ কন্দল, প্ৰতাপ সিংহৰ দিনত দিহিঙ্গত মথাউৰি বন্ধা, মেছাগড়ত পুখুৰী খন্দা, জয়ধ্বজ সিংহৰ ৰাজত্ব কালত মিৰজুমলাৰ অসম আক্ৰমণ, শেষত পেচকচ লাভৰ সন্মতিত মোগলৰ অসম ত্যাগ, মোগলৰ পৰা গুৱাহাটী উদ্ধাৰলৈকে প্ৰথমখন বুৰঞ্জীৰ বিষয়বস্তু পোৱা যায়।

দ্বিতীয়খনত আছে স্বৰ্গনাৰায়ণৰ পৰা ওপৰজনা দিহিঙ্গীয়া ৰজাৰ ৰাজত্ব কাললৈকে বিভিন্ন ৰজাৰ দিনত ঘটা ৰাজনৈতিক ঘটনা সন্নিৱিষ্ট হৈছে। তাৰ উপৰিও আখ্যানৰ জৰিয়তে আহোমৰ পূৰ্বপুৰুষৰ উৎপত্তিৰো বিৱৰণ পোৱা যায়। ৰাজনৈতিক ঘটনাৱলীৰ ভিতৰত চুকাফাৰ অসম প্ৰৱেশ, সৈন্য সমন্বিতে দিহিঙ্গে ভটিয়াই তিপাম, তাৰ পিছত শলগুৰি, দিখৌমুখ, দিলিহৰ মুখ, চংটক, শিমলুগুৰিত ৰাজ্য স্থাপন, জঁটাধাৰী পুৰুষৰ আদেশত মহাদেৱ পূজাৰ নিয়ম প্ৰৱৰ্তন, বৰাহীক ভাতৰান্ধনি চাংমাই নিয়োগকে আদি কৰি কমতাৰে মিত্ৰতা স্থাপন, চুতিয়া আৰু কছাৰীৰে যুদ্ধ আদি ঘটনাৰ সমাৱেশেৰে দ্বিতীয়খন বুৰঞ্জী সমাপ্তি ঘটিছে।

তৃতীয়খন বুৰঞ্জীত আছে ওপৰজনা দিহিঙ্গীয়া ৰজাৰ পৰা প্ৰমত্ত সিংহ ৰজাৰ ৰাজত্ব কাললৈকে ৰাজনৈতিক ঘটনাৱলীৰ ইতিহাস। এইখন বুৰঞ্জীৰ উল্লেখযোগ্য ৰাজনৈতিক ঘটনা কেইটিমান হ'ল— গৌড়শ্বেৰ সৈতে অসমৰ স্বৰ্গদেৱত মিত্ৰতা, কমতেশ্বৰ চিলাৰায়ৰ হাতত আহোমৰ পৰাজয়, যুদ্ধত খোৰাৰজাৰ মৃত্যু, প্ৰতাপ সিংহৰ দিনত মোমাই তামূলীৰ প্ৰজা সংগঠন, জয়ধ্বজ সিংহৰ দিনত গুৱাহাটী আৰু কামৰূপী মোগলৰ হাতলৈ যোৱা, চক্ৰধ্বজ সিংহৰ দিনত গুৱাহাটী উদ্ধাৰ, ৰাম সিংহৰ অসম এৰি পলায়ন ইত্যাদি বিভিন্ন ঘটনাৰ বিৱৰণ আছে। তদুপৰি লালুক বৰফুকনৰ প্ৰতিপত্তি, লৰাৰজা ৰত্নধ্বজ সিংহৰ ৰাজপাট আৰু আতন বুঢ়াগোঁহাইক হত্যা, ৰুদ্ৰ সিংহৰ দিনত ৰংপুৰ নগৰ স্থাপন, তেওঁ মৃত্যুৰ পিছত পুতেক শিৱ সিংহ আৰু শিৱ সিংহৰ মৃত্যুৰ পিছত ভায়েক প্ৰমত্ত সিংহ স্বৰ্গদেউ হয়। ইয়ালৈকে তৃতীয়খন বুৰঞ্জীৰ ঘটনা সন্নিৱিষ্ট হৈছে। উল্লেখযোগ্য যে প্ৰথম দুখনৰ তুলনাত এইখনৰ ঘটনাৰ বিস্তৃতি কিছু বহল।

চতুৰ্থখনৰ ৰাজনৈতিক ঘটনাৰ বিৱৰণ হ'ল ওপৰজনা দিহিঙ্গীয়া ৰজাৰ ৰাজত্ব কালৰ পৰা গৌৰীনাথ সিংহৰ ৰাজত্ব কাললৈকে। অৱশ্যে দিহিঙ্গীয়া ৰজাৰ ৰাজত্ব কালৰ বিৱৰণ অতি চমুকৈহে পোৱা যায়। তদুপৰি গড়গঞা ৰজা আৰু খোৰৰজাৰ বিৱৰণো বুৰঞ্জীখনত নাই। প্ৰতাপ সিংহ, ভগাৰজা, নৰিয়া ৰজা, জয়ধ্বজ সিংহ, চক্ৰধ্বজ সিংহ, উদয়াদিত্য সিংহকে আদি কৰি অৰ্জ্জুন দিহিঙ্গীয়া ৰজা,চুইডফা পৰ্বতীয়া ৰজা, গদাধৰ সিংহ, ৰুদ্ৰ সিংহ, শিৱ সিংহ, প্ৰমত্ত সিংহ, ৰাজেশ্বৰ সিংহ,লক্ষী সিংহ, গৌৰীনাথ সিংহৰ ৰাজত্ব কালৰ বিৱৰণ আছে যদিও সি অতি চমুকৈহে আছে। এইখন বুৰঞ্জীত পোৱা কেইটামান উল্লেখযোগ্য কাম হ'ল ৰুদ্ৰ সিংহৰ দিনত তেজিত গড় বন্ধা, ডিমৌত পুখুৰী খন্দা, নামডাঙত শিলা মাকোঁ বন্ধা, জয়সাগৰত তিনিটা দ'ল বন্ধোৱা; শিৱ সিংহৰ দিনত ধাই আলি বন্ধোৱা, মেছাগড়ত পুখুৰী খন্দোৱা, গুৱাহাটীৰ কামাখ্যাৰ ইটাৰে নাট মন্দিৰ বন্ধোৱা; প্ৰমত্ত সিংহৰ দিনত ইটাৰ ঘৰ আৰু মঠ-মন্দিৰ নিৰ্মাণ ইত্যাদি বিভিন্ন সামাজিক কামৰো বিৱৰণ পোৱা যায়। তদুপৰি মোৱামৰীয়া উপদ্রপত গৌৰীনাথ সিংহই গুৱাহাটীলৈ ভটিয়াই অহা এইখন বুৰঞ্জীৰ আন এটি উল্লেখযোগ্য ৰাজনৈতিক ঘটনা।

পঞ্চমখন বুৰঞ্জীৰ অন্তৰ্গত ঘটনাৱলীৰ বিৱৰণ অতি চমু। মাথোন দুজন ৰজা জয়ধ্বজ সিংহ আৰু চক্ৰধ্বজ সিংহৰ ৰাজত্ব কালৰ বিৱৰণ এইখন বুৰঞ্জীত আছে। এইখন বুৰঞ্জীৰ ৰাজনৈতিক ঘটনাৰ ভিতৰত মোগলৰ পাণ্ডু-শৰাইঘাট দখল আৰু চামধৰা গড় অধিকাৰ, স্বৰ্গদেউ গড়গাঁও এৰি নামৰূপলৈ পলায়ন, মোগলৰ গড়গাঁও অধিকাৰ, মোগলৰ সৈতে আহোমৰ সন্ধি;

চক্ৰধ্বজ সিংহ ৰজা হৈ ৰজাশহুৰ ৰাজমন্ত্ৰী ফুকনৰ দ্ৰোহ দমন, লাচিত বৰফুকনৰ নেতৃত্বত মোগলেৰে আহোমৰ ৰণ ইত্যাদি। উল্লেখযোগ্য যে আগৰ বুৰঞ্জী কেইখনত পোৱা কিছু ঘটনা এইখনতো বৰ্ণিত হৈছে যদিও এইখনৰ বৰ্ণনাৰ ধৰণ আনকেইখনৰ তুলনাত কিছু বেলেগ।

ষষ্ঠখন বুৰঞ্জীত কমলেশ্বৰ সিংহৰ পৰা পুৰন্দৰ সিংহৰ উজনি অসমৰ কৰতলীয়া শাসনৰ সমাপ্তিলৈকে বিভিন্ন ঘটনাৱলীৰ বিৱৰণ পোৱা যায়। এইখন বুৰঞ্জীৰ এটি মন কৰিবলগীয়া দিশ হ'ল ইয়াত আগৰ বুৰঞ্জী কেইখনত বিশেষভাৱে বিৱৰণৰ ঠাই নোপোৱা আহোম ৰাজত্বৰ শেষ পৰ্বৰ ঘটনাৱলী বিৱৰণ কিছু বিস্তৃত ৰূপত পোৱা যায়। বিশেষকৈ মানৰ দ্বাৰা অসম আক্ৰমণ আৰু অত্যাচাৰ, মানৰ হাতত অসমৰ পৰাজয়, ৰূপসিং চুবেদাৰৰ হাতত বদন চন্দ্ৰৰ মৃত্যু, চন্দ্ৰকান্তৰ বঙাল দেশলৈ পলায়ন আৰু ইংৰাজৰ অসম অধিকাৰ, পুৰন্দৰ সিংহই বৃটিছৰ কৰতলীয়া ৰজা হিচাপে উজনি অসমৰ শাসনভাৰ গ্ৰহণ, 1760 শকত পুৰন্দৰ সিংহৰ পৰা উজনিৰ শাসন বৃটিছৰ হাতলৈ অনা ইত্যাদি বিভিন্ন ঘটনা এইখন বুৰঞ্জীৰ মূল বিষয়বস্তু।

*সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত শেষৰ তথা সপ্তমখন বুৰঞ্জীত কোনো ৰজাৰ দিনত ঘটা ঘটনাৱলীৰ বিৱৰণৰ পৰিৱৰ্তে আহোম বিষয়াসকলৰ মৰ্যাদা, মৰ্যাদা অনুসৰি ৰাজসভাৰ পদবী, ডা-ডাঙৰীয়াসকলে পালন কৰিবলগীয়া নিয়ম-নীতি, বৰমেলৰ ব্যৱস্থা, ৰাজসভালৈ যোৱাৰ নিয়ম, অপৰাধীক শাস্তি বিহাৰ নিয়ম, বিষয়া পতাৰ নিয়ম, স্ত্ৰী মৰ্যাদাৰ নিয়ম আদি সন্নিৱিষ্ট হৈছে। এই ফালৰ পৰা আন বুৰঞ্জী কেইখনৰ তুলনাত সপ্তমখন বুৰঞ্জীক অনন্য ৰূপৰ বুৰঞ্জী বুলিব পাৰি।

এইদৰে *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত বুৰঞ্জীসমূহত সন্নিৱিষ্ট ঘটনা প্ৰৱাহৰ একোটি আভাস দাঙি ধৰিব পাৰি। অৱশ্যে সপ্তমখন বুৰঞ্জীত ৰাজনৈতিক ঘটনা প্ৰৱাহৰ পৰিৱৰ্তে আহোম ডা-ডাঙৰীয়া বিষয়াসকলৰ পদমৰ্যাদা আৰু আচৰণীয় নীতি-নিয়মৰ উল্লেখ পোৱা যায়। ওপৰত আমি উল্লেখ কৰি আহিছোঁ যে প্ৰথমখনৰ পৰা ষষ্ঠখনলৈকে আহোমৰ ৰজত্বৰ সমগ্ৰ ইতিহাস অৰ্থাৎ খুনলুং-খুনলাইৰ পৰা ষষ্ঠখন বুৰঞ্জীত সন্নিৱিষ্ট পুৰন্দৰ সিংহৰ পতনলৈকে বহু কথা আৰু ঘটনাৰ সমাৱেশ ঘটিছে তথাপি এখনৰ সৈতে আনখনৰ ধাৰাবাহিকতাত মিল নাই। তদুপৰি একেখিনি কথা বা একেজন ৰজাৰ ৰাজনৈতিক কাৰ্যৱলী একাধিক বুৰঞ্জীত আছে। বহু ঘটনাৰ বিৱৰণত এখনৰ সৈতে আনখনৰ মিল থাকিলেও কিছুমান বিৱৰণত অমিলো নথকা নহয়। তথাপি ৰাজনৈতিক ঘটনা প্ৰৱাহৰ লগতে সামাজিক, অৰ্থনৈতিক দিশৰ আভাসে বুৰঞ্জীসমূহক অনন্য মাত্ৰা প্ৰদান কৰা বুলি ক'বই লাগিব। অৰ্থাৎ বুৰঞ্জী কেইখনত ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ ৰাজ্য শাসনৰ পদ্ধতি, আহোম শাসনৰ উত্থান-পতনৰ বিভিন্ন কাহিনীকে আদি কৰি ৰজা আৰু ৰাজবিষয়াসকলৰ সামাজিক দায়বদ্ধতা, যেনে— দ'ল-দেৱালয় নিৰ্মাণ, পুখুৰী খন্দোৱা, গড় নিৰ্মাণ, স্থাপত্য-ভাস্কৰ্য স্থাপন, সত্ৰ স্থাপন, উৎসৱ-পাৰ্বণ পালন আদিৰ বৰ্ণনাই সমসাময়িক সমাজৰ বিভিন্ন দিশৰ পৰিচয় দিয়ে।

তদুপৰি ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ ৰাজনৈতিক জীৱনৰ উপৰিও ব্যক্তিগত তথা পাৰিবাৰিক জীৱনৰো কিছু আভাস পাব পাৰি। লাচিতৰ দেশপ্ৰেম, আতন বুঢ়াগোঁহাইৰ ৰাজনৈতিক বিচক্ষণতা, চিলাৰায়ক দিয়া শ্ৰীমন্ত শঙ্কৰদেৱৰ উপদেশ, মূলাগাভৰুৰ বীৰত্ব ব্যঞ্জক আদৰ্শৰ পৰিচয়ো

আমি এই বুৰঞ্জীৰ পৰাই পাব পাৰোঁ। কেৱল সেয়ে নহয় বুৰঞ্জী লিখাৰ ইতিহাস, লিখন পদ্ধতি আদিৰো পৰিচয় পোৱা যায়।

আন এটা কথা তথা বিশেষত্বপূৰ্ণ কথা এয়ে যে আধুনিক অসমীয়া গদ্যৰ চানেকি বহনকাৰী সাহিত্যিক উপাদানৰ ভিতৰত *সাতসৰী অসম বুৰঞ্জী*ৰ ভূমিকা অসমীয়া গদ্যশৈলীৰ ক্ৰমবিকাশৰ ইতিহাসত উপযুক্ত সমল বুলি ক'বই লাগিব। সমসাময়িক সমাজৰ মাত-কথাৰ আধাৰত গঢ় লোৱা কথনশৈলী *সাতসৰী অসম বুৰঞ্জী*ৰ গদ্যৰ প্ৰাণ বুলি ক'ব পাৰি। সংক্ষিপ্ত বিৱৰণ, প্ৰত্যক্ষ উক্তি আৰু প্ৰত্যুক্তিৰ ব্যৱহাৰ, চুটি চুটি বাক্যৰ সমাৱেশেৰে বৰ্ণনীয় বিষয়ক সহজ কৰি তোলা, উপমা বা প্ৰবাদ-প্ৰবচনেৰে বৰ্ণনা অধিক ঘৰুৱা কৰি তোলা বৈশিষ্ট্যই বুৰঞ্জী কেইখনলৈ সাহিত্যিক গুণ সমৃদ্ধ কৰি তুলিছে। তদুপৰি শব্দযোজনা, জঁতুৱা ঠাঁচৰ ব্যৱহাৰ, মাজে মাজে আহোম বা অন্য ভাষাৰ শব্দৰ ব্যৱহাৰ বুৰঞ্জীৰ ভাষাক বৈচিত্ৰ্যময় কৰি তুলিছে। এনে বৰ্ণনা আৰু ভাষা প্ৰয়োগৰ বৈচিত্ৰ্যই বুৰঞ্জীৰ ভাষাক সৰস আৰু সজীৱতা প্ৰদান কৰিছে। বহু সময়ত লেখকে উপকথা, কিম্বদন্তিমূলক কাহিনীকো বুৰঞ্জীৰ বৰ্ণনাৰ মাজলৈ আনিছে। উদাহৰণ স্বৰূপে, দ্বিতীয়খন বুৰঞ্জীৰ আৰম্ভণিতে আখ্যানৰ চলেৰে আহোমৰ পূৰ্বপুৰুষ উৎপত্তি সম্বন্ধে দিয়া বিৱৰণ এই ক্ষেত্ৰত উল্লেখ কৰিব পাৰি।

এইদৰে বিচাৰ কৰিলে ৰাজনৈতিক ঘটনাৱলীৰ পৰা সামাজিক বিৱৰণলৈকে, অৰ্থনৈতিক দিশৰ বিৱৰণৰ পৰা ভৌগোলিক অৱস্থালৈকে, সাহিত্য চৰ্চাৰ পৰা আচৰণীয় নীতি-নিয়ম পালনৰ ব্যৱস্থালৈকে প্ৰতিটো নিপোটল বৰ্ণনাই বুৰঞ্জীসমূহক ঐতিহাসিক মূল্যৰ লগতে সাহিত্যিক মূল্যও প্ৰদান কৰিছে। তদুপৰি পুৱমি অসমৰ মাত-কথাৰ ভেটিত গঢ় লোৱা *সাতসৰী অসম বুৰঞ্জী* অসমীয়া বুৰঞ্জীৰ ইতিহাসত আপোন মহিমাৰে মণ্ডিত এবিধ উৎকৃষ্ট সাহিত্য সম্পদ।



চিন্তা-চৰ্চা কৰক - ৪.১০

'অসমীয়া সাহিত্যৰ বুৰঞ্জী'ত *সাতসৰী অসম বুৰঞ্জী*ৰ ভূমিকা সম্পৰ্কে দুআষাৰ লিখক।



৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- 'বুৰঞ্জী' আহোমসকলৰ অসমীয়া সাহিত্যলৈ শ্ৰেষ্ঠ দান।
- গদ্য আৰু পদ্য উভয় মাধ্যমত ৰচিত বুৰঞ্জীসমূহ টাই আৰু অসমীয়া দুয়োটা ভাষাতে পোৱা যায়।
- লীলা গগৈয়ে আহোম যুগৰ বুৰঞ্জীখিনিক সাতটা ভাগ ভাগ কৰিছে।
- বুৰঞ্জীসমূহ ৰজাঘৰীয়া আৰু ব্যক্তিগত দুয়োটা উদ্যোগতে ৰচিত। অৱশ্যে ৰজাঘৰীয়া উদ্যোগত ৰচিত বুৰঞ্জীখিনি অধিক নিৰপেক্ষ বুলি বিবেচনা কৰা হৈছে।

- বুৰঞ্জীসমূহত ৰাজনৈতিক ঘটনাৰ বিৱৰণ প্ৰধান যদিও সমসাময়িক সময়ৰ সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক তথা ধৰ্মীয় দিশৰো বিভিন্ন ছবি প্ৰতিফলিত হৈছে।
- বুৰঞ্জীৰ গদ্য আধুনিক গদ্য সাহিত্যৰ উৎকৃষ্ট নিদৰ্শন। অৰ্থাৎ সমকালীন সমাজৰ কথনশৈলীৰ ভেটিত ৰচিত।
- অসমত ছশ বছৰীয়া আহোম ৰাজত্বৰ প্ৰথম ৰজা চুকাফা আৰু শেষৰজন ৰজা পুৰন্দৰ সিংহ।
- আহোমৰ পূৰ্বপুৰুষ ইন্দ্ৰ (দেৱৰাজ) আছিল বুলি আমাক বুৰঞ্জীয়ে জানিবলৈ দিয়ে।
- *সাতসৰী অসম বুৰঞ্জী* আহোম ৰাজত্ব কালৰ ভিন্ন সময়ত ৰচিত সাতখন ভিন্ ভিন্ বুৰঞ্জীৰ সমষ্টি।
- একেজন ৰজাৰ ৰাজত্ব কালৰ বিভিন্ন ঘটনাৱলীৰ বৰ্ণনা *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত একাধিক বুৰঞ্জীত পোৱা যায়। অৱশ্যে এনে কিছু ঘটনাৰ বৰ্ণনাৰ উপস্থাপন এখনৰ লগত আনখনৰ পাৰ্থক্যও চকুত পৰে।
- প্ৰথমৰ ছয়খন বুৰঞ্জীত বিভিন্ন ৰজাৰ ৰাজত্ব কালৰ ঘটনাৱলী প্ৰকাশৰ বিপৰীতে সপ্তমখনৰ বিষয়বস্তু আহোম ৰজা আৰু ডা-ডাঙৰীয়াসকলে পালন কৰিবলগীয়া নীতি-নিয়ম তথা আচৰণীয় আচৰণৰ বিধান দিয়া হৈছে।
- তদুপৰি প্ৰথমৰ ছয়খন বুৰঞ্জীত স্বৰ্গদেউসকলৰ কাৰ্যাৱলীৰ বৰ্ণনা থাকিলেও এখনৰ সৈতে আনখনৰ ধাৰাবাহিক মিল নাই।
- *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত বুৰঞ্জীসমূহ ঐতিহাসিক দৃষ্টিকোণৰ পৰা যিদৰে সমৃদ্ধ, তেনেকৈ সামাজিক পটভূমিৰ পিনৰ পৰাও সমানেই সমৃদ্ধ।



৪.১০ অধিক জানিবলৈ

1] কোঁৱৰ, অৰ্পণা [2004] ঃ *প্ৰাচীন অসমীয়া গদ্যশৈলী*; ডিব্ৰুগড় ঃ বনলতা।

2] গগৈ, লীলা (1990) ঃ *বুৰঞ্জী সাহিত্য*।

3] নেওগ, মহেশ্বৰ [1960] ঃ *অসমীয়া সাহিত্যৰ ৰূপৰেখা*; গুৱাহাটী ঃ লয়ার্ছ বুক ষ্টল।

4] ফুকন পাটগিৰি, দীপ্তি (1997] ঃ *মধ্যযুগৰ অসমীয়া ভাষা-সাহিত্যৰ ৰেঙণি* (প্ৰথম প্ৰকাশ); গুৱাহাটী ঃ বনলতা।

৫) ভূঞা, সূৰ্য্য কুমাৰ ঃ *সাতসৰী অসম বুৰঞ্জী*।

৬) শৰ্মা, নবীন চন্দ্ৰ ঃ *অসমৰ সাংস্কৃতিক ইতিহাস* (দ্বিতীয় খণ্ড)।

7] শৰ্মা, সত্যেন্দ্ৰনাথ (2009] ঃ *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত*; গুৱাহাটী ঃ সৌমাৰ প্ৰকাশ।



৪.১১ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ ষোড়শ শতিকাৰ আগভাগ।

২নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সূর্য্য কুমাৰ ভূঞা।

৪নং প্ৰশ্নৰ উত্তৰ ঃ দ্বিতীয়খন বুৰঞ্জী আৰু তৃতীয়খন বুৰঞ্জী।

৫নং প্ৰশ্নৰ উত্তৰ ঃ ডেকাৰজাকে গড়গঞা ৰজা বোলে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ জয়ধ্বজ সিংহই পদ্মপুৰাণৰ পদ ভাঙনি কৰিছিল।

৭নং প্ৰশ্নৰ উত্তৰ ঃ নহয়।

৮নং প্ৰশ্নৰ উত্তৰ ঃ কমতা ৰাজ্যৰ ৰজা।

৯নং প্ৰশ্নৰ উত্তৰ ঃ চুহুংমুং দিহিঙ্গীয়া ৰজাক ওপৰৰজা দিহিঙ্গীয়া ৰজা বোলে।

১০নং প্ৰশ্নৰ উত্তৰ ঃ চুকাফাই।



৪.১২ আৰ্হি প্ৰশ্ন

অতি চমু প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ *সাতসৰী অসম বুৰঞ্জীৰ* অন্তৰ্গত প্ৰথম আৰু দ্বিতীয়খন বুৰঞ্জীৰ কালৰ বিস্তৃতি নিৰূপণ কৰক।

প্ৰশ্ন ২ ঃ চুজিন্‌ফা অৰ্জ্জুন দিহিঙ্গীয়া ৰজাক আন কি নামে জনা যায়?

প্ৰশ্ন ৩ ঃ 'চোমদেও' কি?

প্ৰশ্ন ৪ ঃ চুকাফাৰ ভাতৃৰ নাম কি আছিল?

প্ৰশ্ন ৫ ঃ কোনজন ৰজাক বামুণী কোঁৱৰ বোলে?

প্ৰশ্ন ৬ ঃ আহোমৰ শেষৰজন ৰজা কোন?

চমু প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ প্ৰথমখন বুৰঞ্জী মতে ইন্দ্ৰই দুই নাতি খুন্‌লুং-খুন্‌লাইক পৃথিৰীলৈ পঠিয়াই দিয়াৰ সময়ত লগত আৰু কি কি দি পঠিয়াইছিল?

প্ৰশ্ন ২ ঃ দ্বিতীয়খন বুৰঞ্জীত পোৱা মহাদেৱৰ পূজা বিধান সম্পৰ্কে পোৱা কথাখিনি কি আছিল লিখক।

প্ৰশ্ন ৩ ঃ গড়গাঁৱৰ উৎপত্তিৰ কথাখিনি লিখক।

ৰচনাধৰ্মী প্ৰশ্ন ঃ

প্ৰশ্ন ১ ঃ 'অসমীয়া সাহিত্যৰ বুৰঞ্জী' শীৰ্ষক এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ অসমীয়া সাহিত্যৰ বুৰঞ্জীত *সাতসৰী অসম বুৰঞ্জী*ৰ স্থান সম্পৰ্কে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ *সাতসৰী অসম বুৰঞ্জী*ৰ অন্তৰ্গত বুৰঞ্জী কেইখনৰ বিষয়বস্তু সম্পৰ্কে এটি টোকা লিখক।

প্ৰশ্ন ৪ ঃ প্ৰথমখন আৰু দ্বিতীয়খন বুৰঞ্জীৰ বিষয়বস্তুৰ একোটি ধাৰণা দিবলৈ যত্ন কৰক।

প্ৰশ্ন ৫ ঃ প্ৰথমখন বুৰঞ্জীত সন্নিৱিষ্ট চুকাফা আৰু অৰ্জ্জুন দিহিঙ্গীয়া ৰজালৈকে আহোম ৰাজত্বৰ ৰাজনৈতিক ঘটনাৱলীৰ এটি বিৱৰণ দিবলৈ যত্ন কৰক।

প্ৰশ্ন ৬ ঃ দ্বিতীয়খন বুৰঞ্জীত সন্নিৱিষ্ট স্বৰ্গনাৰায়ণৰ ৰাজত্ব কালৰ পৰা চুহুংমুং দিহিঙ্গীয়া ৰজাৰ ৰাজত্ব কাললৈকে আহোম ৰাজত্বৰ ৰাজনৈতিক ঘটনাৱলীৰ এটি বিৱৰণ দিবলৈ যত্ন কৰক।

প্ৰশ্ন ৭ ঃ "বুৰঞ্জীসমূহত কেৱল ৰাজনৈতিক ঘটনাৱলীৰ বিৱৰণ নাথাকে সামাজিক, সাংস্কৃতিক, অৰ্থনৈতিক, ভৌগোলিক আৰু ধৰ্মীয় দিশৰো প্ৰতিফলন ঘটে।" —*সাতসৰী অসম বুৰঞ্জী*ৰ প্ৰথম আৰু দ্বিতীয়খন বুৰঞ্জীৰ আধাৰত এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৮ ঃ বুৰঞ্জীৰ গদ্যশৈলীৰ আধাৰত প্ৰথমখন বুৰঞ্জীৰ গদ্যশৈলীৰ বিশেষত্বসমূহ ফঁহিয়াই দেখুৱাওক।

প্ৰশ্ন ৯ ঃ বুৰঞ্জীৰ গদ্যশৈলীৰ আধাৰত দ্বিতীয়খন বুৰঞ্জীৰ গদ্যশৈলীৰ বিশেষত্বসমূহ ফঁহিয়াই দেখুৱাওক।

প্ৰশ্ন ১০ ঃ সমসাময়িক আহোম ৰাজনীতি আৰু অসমীয়া সমাজ পৰিপ্ৰেক্ষিতত প্ৰথম আৰু দ্বিতীয়খন বুৰঞ্জীৰ স্থান সম্পৰ্কে বহলাই লিখক।

প্ৰশ্ন ১১ ঃ 'অসমীয়া বুৰঞ্জী সাহিত্য'ক বিভিন্ন পণ্ডিতৰ দৃষ্টিভঙ্গীৰে শ্ৰেণী বিভাজন কৰি দেখুৱাওক।

*** **** ***